## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baañhai | |
| Translated Title: | |
| Place of Publication: Calcutta (kolkata) | Publisher: Editor |
| Year: 1918 (1840 Sak) | Edition: |
| Size: 20 cms - 528 pages | Genre: magazine |
| Volumes: 9 (1, 2+3, 3+4) 5+6, 7+8, 9+10, 11+12 issues) ~~10 (2, 1, 3, 4, 7, 8~~ | Condition of the original: Brittle. |
| Remarks: 8th yr | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

প্রথম খণ্ড, ১ম সংখ্যা
" ২য় "
" ৩য়+৪র্থ সংখ্যা
" ৫ম+৬ষ্ঠ "
৭ম+৮ম "
৯ম+১০ম "
১১শ+১২শ "

নৱম বছৰ, বহাগ } বাঁহী { ১৮৪০ শক, ১ম সংখ্যা

## সম্পাদকৰ চ'ৰা।

আজি বাঁহীয়ে ৯ম বছৰত ভৰি দিলে। আঠ বছৰ বাঁহী চলিল; কেনেকৈ চলিল, গ্ৰাহক পাঠকসকলে দেখিছে, আমাৰ কৈফিয়ৎ অনাৱশ্যক। এই আঠ বছৰ, নিজৰ 'পাখিৰ-অহঙ্কাৰে-পখী-বাঁহীয়ে, সাহিত্য, সমাজ, আৰু ধৰ্ম্ম জ্ঞানৰ আকাশত উৰি কাৰ কি উপকাৰ সাধিছে, তাকো কোৱাৰ সকাম নাই, কাৰণ তাৰ বিচাৰ কৰ্ত্তা আমি নহওঁ, ৰাইজ আৰু ঈশ্বৰ হে।

•••

এই কাল ডোখৰৰ শেহ ছোৱাত বাঁহী ওলোৱা নিয়মৰ ব্যতিক্ৰম ঘটিছে; তাৰ কাৰণ, আমাৰ কাৰ্য্যোপলক্ষে হাওড়া পৰিত্যাগ আৰু প্ৰবাসত নিবাস। গ্ৰাহকসকলে অৱশ্যে বাঁহীৰ এনে গড় লেদি আমনি পাইছে; বহুতে আমনি প্ৰকাশ কৰি আমালৈ চিঠিও লেখিছে; কোনো-কোনোৱে সেইবাবে গেলাই কৰিবৰ লোভও সামৰিব পৰা নাই। আমিনো আৰু তেওঁলোকক কি কম! এখনৰ পাটনাৰে, এখনৰ জৰীৰে আমি এটাইত জোৰোক জোৰোক কৰি পানী তুলিব লগীয়াত পৰিছোঁ। আগৰ কিবছৰত বাঁহীয়ে মাহে মাহে নিয়মমতে কেনেকৈ সমস্যাৰ লোকসকলৰ আগত ওলাই ওলগ দৈছিল, সেই কাৰ্য্যলৈ চাই বাঁহীৰ এহাওগীয়া চিত্তত সন্দেহ নকৰি তেওঁলোকে বাঁহীৰ এই দায়-দোষ মৰিষণ কৰিলে কৰিব পাৰে, নকৰিলে নিৰুপায়।

•••

আমাৰ ত্ৰুটীৰ বিষয়ে এই-ফেৰাকে কৈ, গ্ৰাহকসকলৰ ব্যৱহাৰৰ বিষয়ে ও এচিকটামান কওঁ। আমি ব্যৱসায়ৰ হিচাপে যে বাঁহী চলোৱা নাই,

এই কথা বুজোতাসকলে নিশ্চয় বুজিছে ; কাৰণ আসামত যে এতিয়াও মাহেকীয়া কাকতে নিজৰ যোৱাক-পোছাক নিজে উলিয়াব পৰা কাল পৰিছে এনে হোৱা নাই বুলি তেওঁলোকে জানে। আসামত নিজৰ মেৰ-ভলীৰ পইচা উলিয়াই ভাঙি কাকত নচলালে যে নচলে, এইটো সেই কাম কৰিবলৈ ওলাওঁতাসকলৰ গম বাককৈয়ে হৈছে, কোৱাটো সৰহৰে ভাগ। আৰু অলপ-অচৰপ চুপইচা-চাৰি পইচা দুটকা-চাৰিটকা ভঙাৰ ব্যাপাৰ নহয়, কঠাই কঠাই ভঙাৰ ব্যাপাৰ। বাঁহীৰ বিষয়ে ইয়াকে কলেই যথেষ্ট, যে বাঁহীৰ গ্ৰাহকসকলে বাঁহীৰ বেচ বুলি যি কেইটকা দিত পোৱা যায়, তাৰে বাঁহীৰ চকুৰ কেঁচুৱাৰ ওচাৰপেকে নাটে। বাঁহীৰ গ্ৰাহক সমূহ বাপুসকলৰ ভিতৰৰ আদহিনিয়ে কেনেকৈ বাঁহীৰ বেচ কেৰা নিদি সাৰিম, তাকে বিয়াৰ, আৰু বিয়াই বুধি সাজি শুকতা উলিয়াই সৰকে। সেই বুধি অনেক বিধৰ, বিস্তৰ ৰকমৰ, নানা জাতৰ। সেইবোৰৰ লেখ নো আৰু কি দিম ; থাহাৰি পাতে, বৰকলাৰে কাণ চুৱাই ধৰা লাগিব বুলি সেই কথা আহৰীয়া বতৰলৈ ৰাখোঁ। বাকী আদহিনিৰ এভাগৰ "ফ্ৰি পাচ" ( free pass ) অৰ্থাৎ তেওঁলোকৰ বাঁহীয়ে সৈতে সমকটো শুদাই-পাই-পানী-দিও-এসৰাহ-সাৰা" বিধৰ। এইবোৰ বাদ দি যি কেইজন সজ্জন গ্ৰাহক আছে, তেওঁলোকক নমস্কাৰ কৰি কৃতজ্ঞতা জনাই কওঁ, যে তেওঁলোকে দিয়া বেচে বাঁহীৰ শৰ-পোষণত কিছু দূৰ নিশ্চয় উপকাৰ হয়, কিন্তু বাকী খৰচ সাৰে ( আৰু আজিকালি কাগজৰ আকালৰ সময়ত গিও নকৰা হয় ) বাঁহীয়ে আমাৰ ডিঙিত ওলোমাবাহলি দি থাকে মাত্ৰ। আৰু বাৰাৰেহৈৰ কৰিব কি ? "জান বচাৰ" তো লাগিব ; আৰু "জীয়াই থাকলে বাপেকৰো নাম" বুলি কয়ো তো। যাওক, এইবোৰ কৈ কোনো লাভ নাই, আৰু নকওঁ। এতিয়া ঈশ্বৰক চিন্তি আকৌ ২য় বছৰৰ বাঁহীৰ কামত প্ৰবৃত্ত হলোঁ।

ওঁ যোদেবোঽগ্নৌ যোঽপ্সু যোবিশ্বং ভুবনমাবিবেশ।
য ওষধিষু যোবনস্পতিষু তস্মৈ দেবায় নমোনমঃ॥

* * *

আসামত অসমীয়া সাহিত্য সন্মিলনী—ছাতৰৰ আৰু ডাঙৰৰ - দুৱন হৈ



গল। ছাত্ৰসকলে "বই স্কাউট"ৰ ( Boy Scout ) দৰে ডাঙৰ সাহিত্যৰথী মহাৰথীসকলক সাহিত্যৰ ৰণক্ষেত্ৰলৈ বাট দেখুৱাই দিয়া বাবে ছাত্ৰৰ সাহিত্য সন্মিলনীখনৰ যশস্যাৰ ভাগ সৰহ,—তেহেলৈ, ডঙৰসকলে সেই ভাগ তেওঁলোকক দিয়ক বা নিদিয়ক, আৰু ছাত্ৰসকলেও সেই ভাগ বিচাৰক বা নিবিচাৰক। "যুক্তিযুক্ত মুপাদেয়ং বচনং বালকাদপি" বাক্য অনু-সৰি বালক ছাত্ৰসকলৰ বচন আৰু কাৰ্য্যৰ আৰ্হি লৈ ডাঙৰসকলে চলিবলৈ উপক্ৰম কৰাটো অৱশ্যে তেওঁলোকৰ পক্ষে শোভনেই হৈছে। আমি দুইখন সন্মিলনীৰ সুদীৰ্ঘ জীৱন কামনা কৰি দুইখনৰপৰা বিস্তৰ আশা কৰি ৰলোঁ।

* * *

ছাত্ৰসকলৰ মন আৰু মুখ-লদয় আছে, কিন্তু মহৰ গাথীৰ আৰু কঠাল-কুহীয়া বাটীৰ নিতৌ অভাৱ। তেওঁলোকৰ "হাতত নাই বিত" কিন্তু সদায় সত্ত্ব আৰু নিৰ্ম্মল "মনে কৰে পিত্ পিত্।" ধনৰ অভাৱৰ জেঙাত তেওঁলোকে মনে পঙা কথা কাৰ্য্যত পৰিণত কৰিব নোৱাৰে। তেওঁলোকৰ "আলচা কথা নহয় সিধি" বাটত দাৰিদ্ৰ্যৰ "কণা বিধি আছে" দেখি। ধনৰ কথা লৈ ডাঙৰসকলক তেওঁলোক মনৰ ব্যথা জনাবলৈ ডাঙৰসকলৰ ওচৰ চাপিব খুজিলে তেওঁলোকে ৰামটাঙোন—জোকাৰ আৰু পেঁচোৱা চকু দেখি খেদা খাই শুদা হাতে ওভতে, শেহত তেওঁলোকৰ ধনৰ অভাৱত মন ভাগি যায়, আৰু তেওঁলোকে পঙা আশাৰ কলি মলিয়ায়েই শুকায়। এইদেখি এইবাৰ সাহিত্য-ক্ষেত্ৰৰ ৰণলৈ ডাঙৰে ককালত কাপোৰ বান্ধি উঠা দেখি আমাৰ আনন্দ হৈছে আৰু তেওঁলোকৰ সভা-ঘৰৰ হুঙ্কাৰৰ ধ্বনি শুনি আসামৰ অজ্ঞান-এন্ধাৰৰ ৰাক্ষস-পিশাচ অন্ততঃ "কলম"চেৰেক হুঁহকি পলাব বুলি ভাবি আমাৰ বুকু ডাঠ হৈছে। আশাৰ কথা যে, তেওঁলোকৰ মুঠিত টকা আৰু মূৰত বুধি আছে, আৰু দুইটা পক ধৰা অৱস্থাত। সঁচাকৈয়ে এইবাৰ আমাৰ আশাৰ ৰৰগছে কুঁহি মেলিছে। তেওঁলোকৰ উছাহ, কাৰ্য্য আৰু ধনৰ "তোয়ং" তাত পৰিলে সি "পত্ৰং পুষ্পং ফলং" দিবই দিব। ঈশ্বৰে কৰক যেন ডাঙৰসকলৰ এই সন্মিলনীখনৰ গুণত আসামৰ সাহিত্য-তৰু মুঞ্জৰে।

* * *

সেইদেখি কওঁ, যে ডাঙৰসকলে যেন আজিকালিৰ সভা-সমিতি কৰোঁতাসকলৰ দৰে যাথোন তাকে বছেৰেকৰ মূৰত এবা কৰি অঁতাই, গোটেইটো বছৰ নাকৰ বিন্ধাত সৰিয়হৰ তেল সানি দি শুই নাথাকে। আজিকালিৰ ডাঙৰ সভাকৰোঁতাসকলে এবছৰৰ মূৰত টোপনিৰপৰা উঠে, ঢোল-ডগৰ বজাই সভাপতিক মলা পিন্ধাই দৰাক আদৰাদি আদৰি আনি সভাঘৰত বহুৱাই বক্তৃতা কৰোৱায় আৰু নিজেও বক্তৃতা কৰে। এনে "ধূম-ব্যাপাৰ" কৰাটো "ফেশ্যন" (গঢ়) হৈ উঠিছে। বৰ-বিয়াত দৰা-কন্যাক এনে সমাৰোহ কৰি বিয়া দি সংসাৰৰ কাৰ্য্য-ক্ষেত্ৰত প্ৰবেশ কৰাই দিয়া হয় সঁচা, কিন্তু তেওঁলোকেও এই মহাসমাৰোহেৰে পতা মহামিলনৰ গুৰুত্ব বুজি সংসাৰৰ গুৰু ভাৰ কান্ধত লৈ কাৰ্য্য কৰি যায়; বৰ-বিয়াখনকেই তেওঁলোকৰ আদি-অন্ত বুলি তেওঁলোকে নাভাবে; কিন্তু বৰ-বিয়াৰ সঁচত মৰা সভবোৰে, দেখিছোঁ, পতি-পত্নী সমন্বিতে সেই সমাৰোহেৰে পতা সভা নামৰ বৰ-বিয়াখনকে ঘূৰাই-পকাই বছৰে বছৰে কৰি থাকি সংসাৰৰ অকৰ্ম্মা-বনত পশি পতি-পুত্ৰ সমন্বিতে কৰ্ম্মৰ কাম-ধেনুবোৰ ধৰি খাই গৰ্‌গৰীয়া দি পৰি থাকে। বিয়াৰে সৈতে সভাৰবোৰৰ ভিন যাথোন এই খিনিতে যে, সভাৰ পত্নীসকলে বছৰে বছৰে পুৰণি পতি সলাই ন পতি বৰণ কৰে, কিন্তু বিয়াৰ পত্নীয়ে "খামাখা" তেনে কৰিব নোৱাৰে বা নকৰে, আৰু তেওঁলোকৰ মিলনে ফল প্ৰসৱ কৰে, কিন্তু সভা-সমিতিৰ মিলন পোষ্কৰ-অনা-তিনি-পইচা নিষ্ফল হয়।

•••

সঁচা, আজিকালি এনে সভা কৰাৰ আহিঁ আমাৰ ভাৰতবৰ্ষৰ মানুহে য়ুৰোপীয়সকলৰপৰা পাইছে। শুৱলা কথা। কিন্তু য়ুৰোপীয়সকলে ইমূৰৰপৰা আৰম্ভ কৰে, ভাৰতীয়সকলে সিমূৰৰপৰা আৰম্ভ কৰে। য়ুৰোপীয়-সকলে যি মূৰৰপৰা ধৰে সেইটো সোঁ পাক, ভাৰতীয়সকলে যি মূৰৰপৰা ধৰে সেইটো বাওঁ পাক। সোঁ পাকে ধৰাসকল কামত মেৰেমেৰে সোমাই আছে, বাওঁ পাকে ধৰাসকল মেৰেমেৰে ওলাই যায়। য়ুৰোপীয়ই সম্বৎসৰ কাম কৰি গোট খাই সভা পাতি "হিচাপ-কিতাপ নিকাচ" কৰি লাভ-লোকচানৰ সুফল দেখুৱাই আনন্দ-আহ্লাদ কৰে; ভাৰতীয়ই আগেয়েই গোট খাই সভাপতিক ফুলৰ বৈজয়ন্তী-মালা পিন্ধাই



আৰু নিজেও একোধাৰ পিন্ধি, ঢোল-ডগৰ কালী-পেঁপা আৰু চাপৰি-টাপৰি বজাই আমোদ-আহ্লাদ কৰি সম্বৎসৰ গৰ পৰাদি পৰি থাকে। এয়েই এই দুই জাতিৰ ভিতৰত "তফাৎ"।

•••

"সদৌ আসামৰ সাহিত্য সন্মিলনী" পতা ডাঙৰসকলক আমি কওঁ— "ডাঙৰীয়াসকল! আপোনালোকে কাম কৰক, সুখৰ দেই! ককালত টঙালি বান্ধি অসমীয়া সাহিত্যৰ ভালৰ অৰ্থে, বোলো, লাগক। আপোনাসকলে পাৰিব, কিয়নো আপোনালোকৰ ককাল লাহী নহয়, ডাঙৰ, অৱশ্যে চেষ্টা কৰিলেহে। আমাৰ মনেৰে প্ৰথমতে আপোনাসকলে ধন দি আৰু ধন তুলি ধন গোটাই এটা ধনৰ ভঁৰাল পাতিলে কেনে? কম পক্ষে দহ হেজাৰ টকা তোলক। সেই টকাকে পোনতে হাতত লৈ এখন ছপাখানা পাৰে যদি কিনক, নোৱাৰে যদি, আনৰ ছপাখানাকে বন্দবস্ত কৰক। কৰি, অসমীয়া পুৰণি পুথিবোৰ একালৰপৰা ধুনি ছপা কৰি উলিয়াবলৈ ধৰক, যাতে সেইবোৰে ধংসৰ হাতৰপৰা ৰক্ষা পায়, আৰু সৰ্ব্বসাধাৰণৰ কৰতলগত হয়। এই উপায়েৰে দেশত পুৰণি সাহিত্য-জ্ঞান বৃদ্ধিৰ উপায় কৰক। এইটো বৰ লাগতিয়াল। ভাবি চাওক, কন্দলীসকলে আৰু মহাপুৰুষ শ্ৰীশঙ্কৰ মাধৱে আসামক উচ্চ সাহিত্যৰ অক্ষয় ভাণ্ডাৰ দি গৈছে, সেই পৈতৃক সম্পত্তি সকলো অসমীয়াক অল্পায়াসলব্ধ কৰি বিলাই দি ধনী কৰক, যাতে সেই মূলধনৰ ওপৰত থিয় দি অসমীয়া জাতিয়ে মূৰ তুলিব পাৰে। এই পুথি প্ৰকাশ কাৰ্য্যৰ আৰু এটা বিভাগ কৰক যাৰ দ্বাৰাই বৰ্ত্তমান পৃথিবীৰ দৰ্শন, বিজ্ঞান, ইতিহাস, ভ্ৰমণ, গণিত, জ্যোতিষ ইত্যাদিৰ বিষয়ে প্ৰকাশ হোৱা কিতাপবোৰৰ যথাসাধ্য মৰ্ম্ম অসমীয়া ভাষাত সৰু সৰু উজু কিতাপৰ আকাৰেৰে প্ৰকাশিত হৈ সেইবোৰে সৰ্ব্বসাধাৰণৰ মাজত জ্ঞান বিস্তাৰৰ সহায় কৰি অসমীয়াক সভ্য জাতিৰ লগত উজাৰ পৰা কৰে। অসমীয়া ভাষাত, ওপৰত কোৱা বিষয়বোৰৰ উজু কিতাপ ৰচিত যাতে হয় আৰু সেই-বোৰ যাতে স্কুলত চলে তাৰ দিহা কৰক। অৱশ্যে একে দিনাই এইবোৰ হৈ নুঠে, আৰু ভুকুতে কলটো পকাবলৈ আমি আপনালোকক কোৱাও নাই; কিন্তু শনৈঃ শনৈঃ এই চেষ্টা কৰি গৈ থাকিবলৈ হলে বাহুডাঙ্ঘি কৈছোঁ। সেয়ে নহলে মিছাতে ঢোল মৃদং বজাই সাহিত্যৰ বৰ-সৰাহ পাতি বক্তৃতা

পঢ়ি আৰু বক্তৃতা গাই লোকৰ কাণৰ কণামাকৰি সবাই থাকিবৰ অধিকাৰ থকাটোত আমাৰ সন্দেহ আছে। এজনক সভাৰ পতি পাতি তেওঁৰ অভিভাষণ যদি শুনিব লাগে, আৰু সমবেত ভদ্ৰমণ্ডলীয়েও যদি পৰম্পৰক তেনে বিধৰ বক্তৃতা গাই শুনাব লগীয়া হৈছে,তেন্তে কম খৰচতে তাৰ দিহা কৰিব পাৰি। দেশত মাহেকীয়া আৰু সাদিনীয়া কেইবাখনো কাকত আছে, সেই কাকতবোৰলৈ সেই বক্তৃতাবোৰ পঠিয়ালে, যদি "যাৰ হাত জিকাৰ তেৰ হাত গুটি" নহয়, আৰু তাত কিবা সাৰ থাকে, তেন্তে সম্পাদকসকলে সেইবোৰ তেওঁলোকৰ কাকতত স্থান দান কৰি তেওঁলোকক বাধিত কৰিবলৈ বোধ কৰোঁ আপত্তি নকৰিব। ওপৰত দিয়া কাৰণৰ নিমিত্তে যদি কোনো কোনো সম্পাদকে সেই গুৰু ভাৰ তেওঁলোকৰ কাকতৰ পিঠিত তুলি দিবলৈ অমান্তি হয়, তেনেহলেও কলিকতাত বহুত ছপাখনা আছে, যলৈ সেই বক্তৃতাৰ বস্তাবোৰ পঠিয়াই,লগতে কিছুটকা পঠিয়াই দিলে,সেই ছপাখানাবোৰে ধুনীয়া বৈতীপাত দি ধুনীয়াকৈ ছপাই সেইবোৰক পুস্তিকা একোখনৰ আকাৰ দি উলিয়াই লেঠা মাৰি দিব পাৰে। আৰু যদি হে সাহিত্য সম্মিলনীবোৰ ভাৱনা বা থিয়েটৰৰ হিচাপে হয়, তেন্তে জাননীৰ লগতে শুস্কবন্ধনীৰ ভিতৰত ( ভাৱনা বা থিয়েটৰ ) বুলি লেখি দিলেও কাৰো একো কবলৈ নাথাকে।

•••

ভাষা আগেয়ে নে ভাব আগেয়ে, মুখৰ কথা আদি নে মনৰ ভাব আদি, এই বিচাৰ আৰু তৰ্ক ভাৰতবৰ্ষত অতি প্ৰাচীন কালৰেপৰা হৈছে। ভাৰতত সুকীয়া দুটা School of philosopy দৰ্শন শাস্ত্ৰৰ পথ এই তৰ্ক লৈয়েই হৈছে। পাশ্চাত্য দাৰ্শনিকসকলেও এই আলোচনা পৰ্য্যাপ্ত ৰকমে কৰিছে। এই তত্বৰ সম্বেদ লব খোজাসকলে আমি ক্ষুদ্ৰৰ মুখৰপৰা এই ডাঙৰ কথাৰ মীমাংসা শুনিবলৈ নগৈ দিগ্‌গজসকলৰপৰা শুনাই ভাল। আমাৰপৰা শুনিব খুজিলে, কিছুমান তুঁহগুৰি গুডিবলৈ পোৱা যাব মাথোন।

•••

ত্ৰয়োদশ শতিকাৰ পিছৰপৰা অৰ্থাৎ আহোম ৰজা আসামলৈ অহাৰ পিছৰপৰা হে যে আসাম সুসভ্য হৈছে, আৰু আসামত লিখিত ভাষা আৰু



সাহিত্যৰ জন্ম হৈছে, এই কথা কোনো কোনো অসমীয়া সাহিত্যিকৰপৰা কেতিয়াবা শুনিবলৈ পোৱা যায়। আচৰিত কথা যে আসামত আহোমৰ অভ্যুদয়ৰ আগৰ যুগত যে আসাম ভাৰতত বিদ্যা জ্ঞান চৰ্চ্চা আদিত অগ্ৰণী আছিল, এই কথা তেওঁলোকে নাজানে বা জানিব নোখোজে। ভাস্কৰ বৰ্ম্মা, পালবংশ, আৰু তাৰ আগৰ হিন্দু ৰজাসকলৰ কালতো যে আসামৰ জ্ঞান আৰু সভ্যতাৰ সূৰ্য্যৰ ভৰ দুপৰ হৈছিল, ইত্যাদিৰ অলপ-অচৰপ উমাদিহ, আন নেলাগে গেইট চাহাবৰ বুৰঞ্জীৰ Pre-Ahom period—অৰ meagre বিবৰণতো, মন দি পঢ়োতাসকলে পাব পাৰে। আহোমসকলৰ অভ্যুদয়ৰ কালৰপৰা আসামত বিদ্যা-জ্ঞানৰ সূৰ্য্যৰ আবেলি-বেলিকা নে দুপৰীয়া হল সেই সম্বেদও সেই পাঠে দিব। অৱশ্যে Pre-Athom period—অৰ প্ৰাচীন আসাম বা কামৰূপৰ বুৰঞ্জীত এতিয়াও ভালকৈ যে পোহৰ পৰি আমাৰ সি দৃষ্টিগোচৰ হোৱা নাই, সেইটো ধ্ৰুৱ। কালত যে হব, এই আশা ও আমি কৰিছোঁ। অসমীয়া ভাষাত ডাকৰ বচন পুথি সপ্তম অষ্টম শতিকাৰ কালৰ। মাধৱ কন্দলি আহোমৰ কালৰ বুলি ডাঠি কব নোৱাৰি। শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱ অনন্ত কন্দলি ৰাম সৰস্বতীৰ সাহিত্য আহোম ৰজাৰ অনুগ্ৰহ বা ছাঁত কুলা নাছিল, হিন্দু কোচ ৰজা আৰু ভূঞা ৰজাৰ ছাঁতহে ফুলিছিল। বৰং আহোম ৰজাই অপৰোক্ষভাৱে সেই সাহিত্য-অঙ্কুৰ ধংস কৰিবলৈ হে চেষ্টা কৰিছিল। "গুৰু চৰিত্ৰ" পুথি পঢ়োতাসকলৈ এই তথ্য দুৰ্ব্বোধ নহয়। আহোম ৰজাই হিন্দু হৈ দৌল পুখুৰী খনাইছিল, ব্ৰাহ্মণক মাটি-বাৰী বৃত্তি-বিধান দিছিল, কিন্তু সাহিত্য আৰু ভাষা চৰ্চ্চাত, কোচবেহাৰৰ ৰজাসকলৰ দৰে কিবা কৰিছিল বুলিতো বুৰঞ্জীত বিচাৰি আমি আজিলৈকে পোৱা নাই, কোনবাই পাইছে যদি আমাক জানিবলৈ দিলে উপকৃত হম, আৰু আমাৰ ভুল শুধৰাই লম। আহোম ৰজাৰ ভিতৰত ৰুদ্ৰ সিংহৰ আমোলেই জয়-জয়-ময় ময়। সেই কাল ডোখৰতে তেওঁৰ ছাঁত বহি কোনো লেখকে দুখন চাৰিখন তৃতীয় শ্ৰেণীৰ পুথি-চুথি ৰচনা কৰাটো হব পাৰে, কিন্তু কোচ ৰজাৰ আমোলৰ কাৰ্য্যলৈ মন কৰিলে সি সমুদ্ৰত জলবিন্দুবৎ। আহোমসকলেও নিজ ভাষা পৰিহাৰ কৰি অসমীয়া ভাষা লোৱাটো স্বভাৱৰ নিয়মত হোৱা বুলি হে আমাৰ ধাৰণা ; অসমীয়া ভাষাৰ

প্ৰতি প্ৰবল "পিয়াৰ"ত নহয়। কম সংখ্যা লোকৰ ( তেহেলৈ বজাৰ জাতৰ হলেও ) ভাষা আৰু ৰীতি নীতি বা সভ্যতাই বহুৎ সংখ্যক লোকৰ ভাষা আৰু ওথ সভ্যতাৰ আগত আত্মবলি দিয়াৰ উদাহৰণ জগতত ভুৰি ভুৰি।

•••

সুখৰ বিষয় যে এইবাৰ ভাৰতীয় নীহ জাতৰ মানুহলৈ কংগ্ৰেচৰ মনত পৰিছিল। মাদ্ৰাজৰ শ্ৰীযুক্ত জী, নটেচনে এই প্ৰস্তাৱ কংগ্ৰেচত উপস্থিত কৰিছিল। আমি আজি কত কালৰপৰা আমাৰ লগৰীয়া ভাই এশ্ৰেণীৰ মানুহক তেওঁলোকৰ প্ৰাপ্য Birth right অধিকাৰৰপৰা বঞ্চিত কৰি, অপমান আৰু লাঞ্ছনা দি, পশুতকৈও নীহৰূপে ব্যৱহাৰ কৰি আহিছোঁ। এই কথা সুৰঁৰিলেও লাজত আমাৰ মূৰ দোঁ খায়। আমি ইংৰাজৰপৰা সমান ব্যৱহাৰ আৰু নিজৰ মনুষ্যত্বৰ প্ৰাপ্য অধিকাৰৰ দাবি কৰোঁ, কিন্তু আমি দিব পৰা আৰু আমাৰ হাতত থকা ক্ষমতা আমি আমাৰ ভাইসকলক নিদিওঁ। আমি শিক্ষিত উন্নত হৈছোঁ বুলি দম্ভ কৰি স্বায়ত্বশাসন বিচাৰোঁ। অথচ আমিয়েই আমাৰ ভাৰতীবাসী নীহ জাতৰ মানুহক তাৰ এক কপৰ্দ্দক দিব লাগিলে তাৰ বিৰুদ্ধে শ্ৰুতি স্মৃতি সোপাকে মেলি লৈ শ্লোক মাতি চিয়ঁৰত গগন ফালোঁহক। ধিক আমাৰ শিক্ষা! ধিক আমাৰ দীক্ষা! ধিক্ আমাৰ মিছা আত্মাভিমান! ধিক আমাৰ ফুচং সভ্যতাৰ দম্ভ! ইংৰাজসকলে যেতিয়া আমাৰ এনে ফটুৱা ব্যৱহাৰৰ কথা দেখুৱাই আমাক লাজ দিয়ে তেতিয়া নিলাজ আমি লাজ নাপাই "মৰমে মৰম বেদনা" অনুভৱ নকৰি, এক ধানিঠামনো আমাৰ অন্যায় আৰু অযুক্তিযুক্ত ব্যৱহাৰলৈ ভ্ৰূক্ষেপ নকৰি তেওঁলোকৰ ওপৰত ৰোষ প্ৰকাশ কৰি বলকনিত ত্ৰিভুবন কঁপাওঁ। এনে আমি যুগযুগান্তৰলৈকে তুলনাত ন্যায়-পৰায়ণ আৰু সত্যৰ বলত বলী জাতৰ মানুহৰ গোলাম হৈ নাথাকি ওপৰলৈ উধাৱলৈ আশা কৰাটো বিড়ম্বনা নহয় নে?

•••

মাখি, মহ, চিকা, এন্দুৰ, মেকুৰী, কুকুৰক ছুলে আমি গা নোধোওঁ; গেৰেকনি বা ছুৱাপাতনিৰপৰা মাখি উৰি আহি আমাৰ বঢ়া ভাতৰ পাতত পৰিলে, অথবা মেকুৰীয়ে নীহ জাতৰ ছুৱাপাতৰ ভাত চেলেকি আহি সেই মুখেৰেই আমাৰ ভাত-চৰু চেলেকিলে, আমাৰ ভাত ছুৱা নহয়, গৰুৱে



বাৰীৰ পিছফালৰপৰা অখাদ্য খাই আহি আমাৰ, ঘৰত দি থোৱা সিজোৱা ধানত মুখ দিলে সি অপবিত্ৰ নহয়। আমি তেতিয়া গম্ভীৰ ভাৱে শাস্ত্ৰৰ শ্লোক মাতোঁ—"মাৰ্জ্জাৰী গমনে শুদ্ধি, গো শুদ্ধি তৃণ ভোজনে"; কিন্তু কোনো নীহ জাতৰ মানুহে সাত হাত দূৰৰপৰা আমাৰ পাতত বঢ়া ভাতগাল দেখিলে সেই ভাতগাল অশুচি হল! তল-জাতৰ মানুহে আমাৰ পানী ছুলে, বা যি ঘৰত কলহত পানী আছে সেই ঘৰত সোমালে সেই পানী তেতিয়াই ছুৱা হয়, কিন্তু লালুকীৰে গেলা পুখুৰীৰ পানী, নাইবা পাটবেঙেৰে পৰিপূৰ্ণ নাদৰ পানী আমি ভোৰোক্ ভোৰোক্‌কৈ তুলি আমাৰ গোসাঁইৰ গাত দিওঁ আৰু পেটত ভৰাওঁ, তেতিয়া আমাক ছুৱা অশুচিয়ে একো উপদ্ৰৱ নকৰে। কোনো নীহ জাতৰ মানুহে আমাৰ ঘৰৰ চোতালত ভৰি দিলে, তেতিয়াই ঠাইডোখৰ গোবৰ পানী ছটিয়াই শুদ্ধ কৰোঁ, কিন্তু শিয়াল কুকুৰ সাপ বেঙ সেই চোতালৰ ওপৰে অহা যোৱা কৰিব লাগিছে, অধিকন্তু স্বভাৱৰ কাৰ্য্যবোৰো সেই ঠাইৰ ওপৰত উল্লিখিত জন্তুবোৰৰ দ্বাৰাই সম্পাদিত হব লাগিছে, অথচ তেতিয়া আমাৰ ঠাই অপবিত্ৰও নহয় আৰু আমি নৈত গা ধুই নমো নমো কৰি নদীৰ পানীৰে কলহ হাতত লৈ সেই ঠাইৰ ওপৰেই আহি গৃহ-প্ৰবেশ কৰি শুদ্ধ হৈ গজ্ গজীয়া দি বহোঁ। দক্ষিণ-ভাৰতৰ কোনো কোনো ঠাইত কোনো কোনো নীহ জাতৰ মানুহে আজিও ৰাজ-আলি-বাটেদি নিৰাপদে যাব নোৱাৰে; কাৰণ সেই জাতিৰ গাৰ বতাহ ব্ৰাহ্মণৰ গাত লাগিলে ব্ৰাহ্মণ কেনেবাকৈ অপবিত্ৰ হোৱাৰ ভয়। সঁচাকৈয়ে সেইফালে নীহ জাতিৰ মানুহৰ গাৰ ছাত ভৰি দিলে ব্ৰাহ্মণ ছুৱা হয়। আগেয়ে বজাৰ দিনত আমাৰ আসামতো এনে দস্তুৰ কম-বেছি ৰকমে আছিল বুলি আমি শুনিছিলোঁ। বামুণ তো হাতী-মাউত নহয়, নাৱৰ আগোৱাল গুৰিয়াল নহয়, অথচ বামুণ হাতীত উঠিবও লাগিব, নাৱত যাবত লাগিব, আৰু নাৱত যাওঁতে ককালত গামোছা বান্ধি পেটে-ককালে লাগিও যাব নোৱাৰে, ভোকে বামুণকো ধৰি ওঁদাই নেৰে; সেইদেখি বামুণে শ্লোক ৰচি তাৰ দিহা কৰি গল—"বৃহৎ কাষ্ঠে শিলাপৃষ্ঠে নৌকায়াং গজপৃষ্ঠেচ" ইত্যাদি।

•••

এইবোৰ অবিচাৰ, অত্যাচাৰ, কুসংস্কাৰে ভাৰতৰ মানুহক খুলি খুলি খালে, তেওঁলোকৰ মনুষ্যত্বৰ সাৰখিনি ধ্বংস কৰি তেওঁলোকক মকাল বাঁহৰ চুঙা যেন ফোঁপোলা কৰিলে, তথাপি আজিকালিৰ শিক্ষিত বুলি অভিমান কৰোঁতাসকলৰ চেতন নাই। তেওঁলোকে মুখেৰে স্বায়ত্বশাসনৰ অধিকাৰ পাবলৈ ঘৰৰ মুধচত উঠি চিঞঁৰিছে অথচ ঘৰৰ ভিতৰত তেওঁলোকৰ ভাইইত ভনীইতৰ ভিতৰত কি অন্যায় অত্যাচাৰ অবিচাৰৰ কাণ্ড হব লাগিছে তালৈ তেওঁলোকে চকু দিয়া নাই, দিছে যদিও তাৰ প্ৰতিকাৰৰ অৰ্থে কুটা এগছকে কৰা নাই। তেওঁলোকে এবাৰো ভাবি চোৱা নাই, যে আমাৰ ভিতৰতে আমি আত্মসন্মানৰ অপমান কৰিলে আৰু আমাৰ মানুহকে আমি গৱৰ্ণমেণ্টৰ সহায় নোলোৱাকৈ দিব পৰা মনুষ্যত্বৰ অধিকাৰ নিদিলে আমি এটা Indin Nation ভাৰতীয় জাতি হব নোৱাৰো আৰু গৱৰ্ণমেণ্টৰপৰা আমি যি বিচাৰিছোঁ, সেই ক্ষমতাৰ অধিকাৰী হব নোৱাৰোঁ। আমি এমুঠি ইংৰাজী শিক্ষিত মানহেই ভাৰতবৰ্ষৰ মানুহ, আৰু বাকীবোৰ কেলেহুৱা নে যে সেইবোৰক আমি যি মন যায় তেনেকৈ ৰাম, যি খুচী তেনে ব্যৱহাৰ কৰিম, শিয়াল কুকুৰতকৈও অধমভাৱে ছেই ছেই কৰি থাকিম, আৰু মুখেৰে স্বায়ত্বশাসন স্বৰাজ হমৰুল বুলি আফালি থাকি তলৰ মাটি ওপৰ কৰি থাকিম? এয়ে আমাৰ গঢ়! গৱৰ্ণমেণ্টে জানিবা আমাক হমৰুল নিদিলে সেইদেখি গৱৰ্ণমেণ্টৰ গাত জগৰ, কিন্তু আমি নো আমি দিব পৰা হম-ৰুলতকৈ এশ গুণে লাগতিয়াল ন্যায় ব্যৱহাৰ আৰু মনুষ্যত্বৰ সন্মান তল-জাতিৰ মানুহক দিব নোৱাৰোঁ কিয়? আমি যে স্বৰাজ বা হমৰুল লভিবৰ অনুপযুক্ত আমাৰ বিপক্ষদলে তো এইবোৰ প্ৰমাণকেহে দেখুৱায়। বিপক্ষসকলৰ ওপৰত খং কৰাতকৈ তাৰ আগেয়ে আমাৰ এই মহৎ দোষবোৰ গুচাই আমি টনকিয়াল হৈ লোৱাটো বুদ্ধিমানৰ কাৰ্য্য নহয় জানো? আমাৰ হিন্দুসমাজত ওখ জাতৰ আৰু নীহ জাতৰ ভিতৰত এনে আকাশ-পাতাল প্ৰভেদ আছে দেখিয়েই আমাক হম্‌ৰুল দিয়াৰ বিপক্ষসকলে মান্দ্ৰাজ প্ৰেচিডেন্সিত হম্‌ৰুল প্ৰাৰ্থী ব্ৰাহ্মণ আৰু আন আন ওখ জাতৰ বিৰুদ্ধে নীহ জাতৰ মানুহক থিয় কৰি দিছে, আৰু বঙ্গদেশত সেই দৰেই নমঃশূদ্ৰসকলক ফেটাই দিছে। আমাৰ আসামত এতিয়াও তেনে অৱস্থা হোৱা নাই, তাৰ কাৰণ অসমীয়া ওখ জাতৰ উদাৰতাৰ আৰু কল-কৌশলৰ গুণত নহয়, মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ মাধৱদেৱৰ উদাৰ সৰ্ব্বজনীন সাৰ্ব্বভৌমিক সাম্যবিধায়ক মহাপুৰুষীয়া ধৰ্ম্মৰ গুণত হে। মহাপুৰুষীয়া ধৰ্ম্ম বোলোঁতে আমি আসামত প্ৰচলিত কেউটা সম্প্ৰদায়ৰ বৈষ্ণৱধৰ্ম্মক বুজাইছোঁ, কাৰণ যি কাৰণতেই হওক, এটাইকেউটাৰ নাড়ী-নক্ষত্ৰ আৰু প্ৰকৃতি আৰু শিক্ষা আচলতে একেই। কিন্তু এই কথা আমি এই খিনিতে কৈ থওঁ, যে আসামত হিন্দু জাতৰ অন্তৰ্গত নীহ কুলীয়া বুলি আমি যি কেইটা জাতক ভাবোঁ, সেই সেই জাতৰ লোকসকলৰ ভিতৰত উদাৰ প্ৰাচ্য আৰু পাশ্চাত্য শিক্ষা প্ৰবেশ কৰি লাহে লাহে তেওঁলোকৰ চকু গজি আহিছে, আৰু সৰহ দিন তেওঁলোকক নিগৃহীত কৰি ৰাখিব নোৱাৰো, তেওঁলোক প্ৰবল হৈ উঠি ভেটা ভাঙি ওখ জাতৰ বিপক্ষে থিয় দিব, আৰু ফলত ভাই-ভাই-ঠাই-ঠাই হৈ অসমীয়াৰ একতাত ব্যাঘাত ঘটি অসমীয়া জাতি দুৰ্ব্বল হৈ পৰিব। সেইদেখি সময় থাকোঁতে আমাৰ অসমীয়া সমাজৰ শিক্ষিতসকলে সাৱধান হৈ সেই সেই জাতৰ লোকসকলৰ প্ৰাপ্য অধিকাৰ মনুষ্যত্বৰ সন্মান প্ৰদান কৰক। তেওঁলোকে সঙ্কোচ নকৰিব, কাৰণ আসামৰ সমাজ আন দেশীয় সমাজতকৈ উন্নতিশীল আৰু উদাৰ এই কথা আমাক বহুদৰ্শিতাই চকুত আঙুলি দি দেখুৱাইছে, আৰু আসামত প্ৰচলিত মহাধৰ্ম্ম বৈষ্ণৱধৰ্ম্মৰ অনুকূল বায়ু তেওঁলোকৰ চেষ্টাৰ নাৱৰ পালত লাগিবলৈ সদায় সাজু হৈ আছে।

৫৩৫৮/অ:

•••

খকৰা বিবাদ, জাতিবৈৰীতা আৰু জাতিবৈৰীতাই ভাৰতবৰ্ষৰ সৰ্ব্বনাশ কৰিলে, আৰু কিয়? খাইকৈ এই কাৰণৰ নিমিত্তেই ভাৰতৰ অতকাল অধোগতি। হম্‌ৰুল আমি পাওঁ বা নাপাওঁ, সেইটোতকৈও বৰ আৱশ্যকীয় কথা হৈছে, যে আমি মানুহক পশুজ্ঞান কৰিব নালাগে, মানুহক মানুহৰ নিচিনা ব্যৱহাৰ কৰিব লাগে, আমাৰ ভাৰতীয় ভাইসকলক যি জাতৰ যি, সমাজৰে হওক সকলোকে অশুচি অস্পৃশ্য নাভাবি, তেওঁলোকৰ লগত মানুহৰ নিচিনা ব্যৱহাৰ কৰি, তেওঁলোকৰ মনুষ্যত্বৰ সন্মান কৰি তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা প্ৰকাশ কৰি, প্ৰাপ্য অধিকাৰ তেওঁলোকক আনন্দেৰে দিব লাগে। আমি

ইয়াৰ দ্বাৰাই সকলোকে একাকাৰ কৰি সমাজ ভাঙ্গি চূৰমাৰ কৰি এক মহা বিপ্লৱৰ সৃষ্টি কৰিবলৈ কোৱা নাই,যদিও ভাৰতত জাতিভেদৰ বেৰবোৰ ভাগি এটা বিশাল জাতৰ সৃষ্টি যি দিনা হব, সেই দিনক, আমি মৰি গলেও আমাৰ পো-নাতি-পৰিনাতিসকলে নিশ্চয় সাদৰেৰে সামৰি লব বুলি আমি মহৎ আশা পোষণ কৰিব লাগিছোঁ; সম্প্ৰতি আমাৰ যি জাতি বিভাগ আছে, সেই বিভাগ ৰক্ষা কৰিও যে আমি ভাৰতৰ নীহ কুলীয়া লোকসকলক মানুহৰ দৰে ব্যৱহাৰ কৰি তেওঁলোকক মনুষ্যত্বৰ পূৰ্ণ অধিকাৰ দিব পাৰোঁ, সেই কথা হে আমি কৈছোঁ। Untouchable অস্পৃশ্য লাঞ্ছিতসকলক অস্পৃশ্য লাঞ্ছিত কৰি ৰাখি কুকুৰ শিয়ালবো অধইচ কৰি থবলৈ চেষ্টা নকৰি, তেওঁ-লোকৰ প্ৰতি মানুহৰ দৰে ব্যৱহাৰ কৰি চলিলেও হিন্দুৰ ব্ৰাহ্মণ কায়স্থ প্ৰভৃতি জাতৰ গাত আচোৰ নালাগে। আমি পাহৰোঁ, যে আমি ভাৰতীয়ই ব্ৰাহ্মণ কায়স্থ বুলি নিজক যিমানকে ওফোন্দাই ওপৰলৈ তোলোঁ, আমি সকলো ভাৰতবাসী আজিকালিৰ সুসভ্য জগতত ঘৃণিত আৰু অস্পৃশ্য হৈ পৰি আছোঁ। এইটো আমাৰ পাপৰ পোটক নহয় নে?

***

ওপৰৰ কথা পঢ়ি, কোনোৱে ভাবিব পাৰে যে আমি স্বায়ত্বশাসন বা ৰাষ্ট্ৰীয় কৰ্ত্তৃত্বৰ যি ভাৰতব্যাপী আন্দোলন চলিছে, তাৰ বিৰোধী। একে আষাৰেই কওঁ যে সেইটো নহয়। আমি কওঁ যে ৰাজাস্তিকত আমি যেনেকৈ হমৃকল পাবলৈ চেষ্টা কৰিছোঁ আমাৰ ঘৰতো যেন আমি সেই হমৃকল দিওঁ। আৰু ঘৰুৱা হমৃ-কল থাই আৰু প্ৰথম,—অন্ততঃ ৰাজাস্তিকৰ লগে লগে। সম্প্ৰতি ঘৰত আমাৰ চকুৰাৰ বেৰ উৰ্ঘলি গৈছে, তালৈ চকু নিদি আমি বৰ চুবিয়াৰ ফেৰ মাৰি বাহিৰত ভৱা-গব্য হবলৈ হাবাথুৰি খাই ফুৰি হে লোকৰ হাঁহিয়া-তৰ পাত্ৰ হৈছোঁ।

***

জাপানৰ অলপ দিনৰ ভিতৰতে অতি অদ্ভুত উন্নতিৰ কথা আমি দেখুৱাই নানা কথা কওঁ; কিন্তু জাপানে সেই উন্নতিৰ অধিকাৰী হবলৈ যে কি স্বাৰ্থ-ত্যাগ কৰিছিল সেই কথা নাজানো। জাপানৰ সামুৰায় জাতি ( From সমৰ, সামৰাজ, সাম্ৰাজ্য? ) ভাৰতৰ ব্ৰাহ্মণৰ নিচিনা। অনেক বিষয়ত



বৰং তেওঁলোকৰ জাত্যাভিমান আৰু ক্ষমতা ভাৰতৰ ব্ৰাহ্মণ জাতৰ লোক সকলতকৈ বেছি আছিল। ইত ( Eta, ইতৰ? ) আৰু হীনিন্ ( Hinin, হীন? ) জাতৰ মানুহ জাপানত অস্পৃশ্য। এই দুই জাত ইমান নীহ বিবেচিত হৈছিল যে ভাৰতৰ চণ্ডালৰ নিচিনাকৈ তেওঁলোকক সৰ্ব্বসাধাৰণেৰে সৈতে একে গাৱঁতে বহা কৰি থাকিবও নিদিছিল। কিন্তু ১৮৭১ খৃষ্টাব্দৰ ১২ অক্টোবৰ তাৰিখে সামুৰায়সকলে তেওঁলোকৰ ওখ জাতৰ বিশেষ অধিকাৰ একে কোবেই পৰিহাৰ কৰি এই নীহ অস্পৃশ্য জাতক ব্যৱহাৰ্য্য জাতলৈ তুলি, সেইসকলৰ আৰু তেওঁলোকৰ নিজৰ মাজত থকা ব্যৱধান আঁতৰাই পেলাই একতা-বান্ধোনেৰে বান্ধ খাই প্ৰকৃতপক্ষে জাপানক প্ৰবল কৰি তুলিলে। বিজ্ঞানাচাৰ্য্য ডাক্তৰ প্ৰফুল্লচন্দ্ৰ ৰায়ে সম্প্ৰতি দিয়া এটা বক্তৃতাৰ-পৰা আমি এই বিষয়ে এডোখৰ তুলি দিলোঁ -

"We are never tired of citing the example of Japan when we want to prove that political progress can be achieved even in an Asiatic country. But it suits our convenience to forget all that the Land of the Rising sun has done for her social regeneration There, up till the seventies of the last century, the *Samurai* clans had monopolised to themselves all the privileges now arrogated by our Brahmanical castes The *Eta* and the *Hinin* (the *untouchables* of Japan) were regarded so impure and unclean that they were not even allowed to dwell in the ordinaly villages, but had locations assigned to them,—a state of things now met with in some parts of the southern Presidency. But on the memorable day of 12th October in 1871 the *Samurai*, in a spirit of chivalry no less than of patriotism, voluntarily parted with their vested interests and abolished the artificial and invidious caste distinctions and thus laid the foundations of a compact and homogeneous nation. What was possible in 1871 is found to be impossible in India even towards the close of the second decade of the 20th century."

আজিকালি ভাৰতত হমৃকল প্ৰচাৰৰ "গুৰু মা" এনি বেচেণ্টে এই বিষয়ে কি কয়, তেওঁৰ ' Wake up India" নামৰ কিতাপৰপৰা এছোৱা

তুলি দিছে ।—" Can you for shame's sake, ask for that larger liberty for yourselves, unless you break the chains on the limbs of these out-casts that you have bound around them? It is useless to cry out to God, to cry out to England, to let you be free citizens in a free land, if the course of this slavery is to remain upon the land and freedom is to be only the freedom of the educated people. You are educated, yes; but does that mean the sole enjoyment for yourselves of literature, of art, of all that makes life fair, and that to these are to be added liberty, and public life, and the pride of the citizen in a free land? Power means responsibility. Power and responsibility go hand in hand; and how dare we ask for Indian freedom if Indian slavery is the basis on which the pyramid of freedom is to be reared? It can not be. You must rescue your own people, before you can stand up with your faces to the sun and declare that you are worthy of freedom. These slaves condemn you."

আৰু এডোখৰ সেই কিতাপৰেপৰা তুলি দিওঁ—" You have to choose between isolation and subjection inside your caste, or, on the other hand, perfect political and social equality outside the barriers of caste. Inevitably it is coming, whether you will or not.

" But you have a choice between two ways of change... There are two ways in which privileges disappears; one when the people, who no longer respect the privilege-holders, are angry with these privileges which outrage their sense of justice; and if it goes too far, you get a great uprising like the French Revolution, and the privileged aristocracy perish by violence and are lost in the midst of the nation. Or you may have the wonderful action of the privileged class in Japan, as privileged as any of the Brahman caste here, who, called on for their country's sake, stripped off every privilege they held and threw them at the feet of the Motherland, in order that she might become free and great. Their privileges were even greater than the Brahman privileges here. They might strike down a man in the street who they thought insulted them, striking him down with the sword which they alone might wear. None could say them nay, none could arrest or save, and yet that warrior caste, proud with the pride of warriors, flung all prides and stepped down amongst the people, content to justify their warrior spirit in the war against Russia, where those very Japanese who had thrown away their privileges showed their Kshattriya spirit, lived on the battle-fields in defence of their country."



---

## নগা-কথা বা গদাপাণি সংবাদ ।

এদিন পুনৰ নগা-গাঁও চাবলৈ ওলালোঁ । ইংৰাজ গৱৰ্ণমেণ্ট ইয়ালৈ অহাৰ পূৰ্ব্বে, নগাবিলাকে গাঁৱে গাঁৱে ৰণ কৰাৰ নিমিত্তে, পৰ্ব্বতৰ টিঙত, যত মানুহ সহজে উঠিব নোৱাৰে, আৰু যি ওখ টিঙৰপৰা আক্ৰমণকাৰীক সহজে খেদাব পাৰি, এনে সুবিধাজনক টিঙত হে নগাচাং পাতিছিল । গাৱঁৰ চাৰিওকাষে কাঠ বাঁহৰ জেওৰাৰ দৰে গৰ মৰা । এই গৰৰ গাত বাঁহৰ জোঙা জোঙা শলাবিলাক শাৰী-শাৰীকৈ পাঁজি পতা, যাতে শত্ৰুৱে অপথে আহি আক্ৰমণ কৰিব নোৱাৰে এনে ভাৱে সজা আছে এই পাঁজিত পূৰ্ব্বে একপ্ৰকাৰ বিষাক্ত গছৰ ৰস লগাই থোৱা হয় । এই পাঁজি এনে বিষাক্ত যে ইয়াৰদ্বাৰাই কোনো লোক অলপ ক্ষত হলেও তাৰ মৰণ হবই হব । এই গৰৰ চাৰিওকাষে এমুৰমান দ'কৈ গাঁত খনা, বহলে প্ৰায় ১২। ১৪ হাত । এই গাঁতত থিয় থিয়কৈ জোং ( পাহুত ) পুতি তাৰ ওপৰত গছৰ পাত আদি দি ঢাকি থোৱা হয়, যাতে কোনো শত্ৰুৱে জাপ মাৰিলে, যেন নিজে নিজেই খৰিকাত দিয়া মাছৰ দৰে থাকিব । গাৱঁৰপৰা ওলাবলৈ আৰু সোমাবলৈ গাঁৱৰ দুইমুৰে দুটা বাট । এই বাটৰ ওপৰত চৰাঘৰ আৰু 'ফটক ।" এই "ফটক" গাঁৱৰ আৱশ্যক মতে বন্ধ কৰি বা মেলি ৰাখে । এই বাটৰ মুখত বণুৱা ডেকাবিলাকৰ নিমিত্তে "আৰিজু" ঘৰ । এই ঘৰত গাঁৱৰ সকলো ডেকা দা যাঠি লৈ থাকিব লাগে । এই ডেকা বণুৱাবিলা-

কৰ নিমিত্তে গাঁৱৰ সকলোৱে নিতৌ মদ, ভাত, মঙহ আদি যোগাব লাগে। ডেকাবিলাকে এই মদ, ভাত, মঙহ খাই, হাতত দা যাঠি লৈ দিনে ৰাতিয়ে এই "আৰিজু" ঘৰত থাকিব লাগে। গাৱঁৰ সৰু মতালৰাবিলাক "আৰিজু" ঘৰত থকা ৰণুৱাবিলাকৰ গোলাম হৈ, ৰণুৱাবিলাকৰ আৱশ্যকীয় সকলো কাম কৰিব লাগে। এই প্ৰকাৰে গোলাম কাম কৰি কৰি, এই লৰাবিলাক ডেকা হলে, সিহঁতেও ৰণুৱা হৈ অইন লৰাক গোলাম খটুৱায়। ৰণুৱা ডেকাবিলাকে তিৰুতা লবৰ মন হলে গাঁৱৰ ভিতৰত নিজৰ নিমিত্তে স্বকীয়া ঘৰ সাজে, তাতে মতা মাইকী দুইয়ো থাকি, খেতিবাতি কৰে। কিন্তু গাৱঁৰ কোনো বিপদ হলে সকলোৱে গাৱঁৰ "চোচাং"-অৰ আজ্ঞাৰ অধীন হৈ গাঁও ৰক্ষাৰ নিমিত্তে ৰণ কৰিব লাগিব। এই আৰিজু ঘৰ, সন্মুখত প্ৰায় ২০।২৫ হাত ওখ, আৰু পাছপিনে ৪।৫ হাতমানহে ওখ। আৰিজু ঘৰৰ চোতালত গঞাবিলাক বহি মদ খাই কথা পাতিবলৈ বাহৰ চাং (নগা কথাত "লাংবাং") পতা আছে।

এই "আৰিজু" ঘৰৰ "লাংবাং"ৰ ওচৰত, চালি এখনৰ তলত, দীঘে প্ৰায় ২০ হাত, বেৰে ৬ হাতমান, গোট গছ এডালৰ, অদ্ভুতরূপে নকচা কটা 'চংকম্' ঢোল আছে। এই গোট গছডালৰ দীঘে দীঘে ৪ আঙ্গলিমান বহলকৈ দাৰে খপিয়াই ফুটা কৰি, কত যত্নেৰে দাৰে যাঠিৰে খুচ কাটি এই গছ ডালৰ পেটৰ কাঠ উলিয়াই গছডালত মৰিয়ালেই যেন নদীয়ালৰ নাৱৰদৰে ধুম ধুন শব্দ হয়, এনে ভাৱে ফোপোলা কৰি এই "চংকম্" ঢোল সজা আছে। ডেকা ৰণুৱাবিলাকে পহৰা দিওতে দিওতে যদি গাঁৱৰ কোনো বিপদ আশঙ্কা কৰে তেন্তে সিহঁতৰ আদেশ মতে ওপৰত উঠি, ঢোলৰ পেটৰ ভিতৰত থৈ দিয়া কাঠৰ টোকোনকেডাল লৈ 'ধুমাধুম' মৰিয়াবলৈ ধৰে। এই "চকম্" ঢোলৰ এনে চেও শুনি গাঁৱৰ সকলোৱে বিপদৰ নিমিত্তে যুগুত হয়। ৰণুৱাবিলাকে ৰণত মানুহৰ মূৰ কাটি আনি, মূৰবোৰ এই ঢোলৰ ওপৰত থৈ, গাভৰুবিলাকে বাঁহৰ চুঙ্গাত লাওপানী অনা থায়, এই ঢোল, টাঙনেৰে টঙ-নিয়াই টঙনিয়াই, ঢোলৰ চাৰিওকাষে দা যাঠি লৈ নাচি ফুৰে।

গাঁৱৰ "কটকৰ" দুই কাষে, অৰ্থাৎ মানুহ অহাযোৱা কৰা বাটৰ দুইকাষে 'নগা মৰা শ" থোৱা সৰু সৰু চাংঘৰবোৰ সজা আছে। নগা বা নাগিনী মৰিলে, মাটিত সুপুতি, এই প্ৰকাৰে সৰু সৰু চাংঘৰ সাজি তাত থৈ দিয়ে। গাঁৱত



সোমাবলৈ গলে আমাৰ নিচিনা মানুহে নাকে মুখে শোপা দিহে যাব পাৰে। এই "নগা মৰা শ"ৰ চাঙৰ তলত গাঁৱৰ গাহৰীবোৰে, চাঙৰপৰা সৰি পৰা মৰা-শৱ মঙহ, হাড় আদি কৰচ্ কৰচ্ শব্দেৰে চোবাই ফুৰে। মৈদামৰ আগফলে দা, যাঠি, ছাগলীৰ বঙা চুলি, ধণেশ চৰাইৰ ঠোঁট পাখি ইত্যাদি ওলোমাই থয়।

আমি কোনোৰকমে গাঁৱত সোমালোঁ। গাঁও গঞা বৰ্ণনাতিত লেতেৰা। গাঁও শিলাময়, শিলৰ ওপৰত কোনোমতে বাঁহৰ খুটা থিয়কৈ থোৱা আছে। গাঁৱত নগা দুজাত, এজাত "জুঙ্গি" আৰু এজাত 'মুংচেম"। জুঙ্গি জুঙ্গিৰ লগত এভাগ, মুংচেম্ মুংচেমৰ লগত এভাগ, ভাগে ভাগে আছে। পূৰ্ব্বে সময়ে সময়ে এই দুই জাতৰ ভিতৰতও ৰণ হৈছিল। গাঁৱৰ মাজত লঠবা মদাৰ গছ এজোপা আছে। আজি অলপ দিন হৈছে ইংৰাজ গবৰ্ণমেণ্টৰ আদেশমতে, এই গছত আৰি থোৱা মানুহৰ লাওখোলাবোৰ পেলাই দিয়া হৈছে। নগা-বিলাকে ৰণত মানুহৰ মূৰ কাটি আনি "চংকম্" ঢোলত থৈ নাচি-বাগি এই মূৰবোৰ আনি এই মদাৰ গছত আৰি থয়। এই গছৰ ওচৰত বাঁহ চাঁচি ফুল বছা বাঁহ এডোখৰ ওলেমাই থোৱা ঘৰ এটা আছে। গাঁৱলৈ অহা আলহি-বিলাকক এই ঘৰতে থাকিবলৈ কয়। এই আলহি সুধিবৰ নিমিত্তে গঞাবিলাকে মদ, ভাত, মঙহ আদি যোগায় আৰু কথা পাতি পাতি, এই আলহি কেনে বুজি-বলৈ চেষ্টা কৰে। মনত কোনো সন্দেহ হলে, সেই আলহিৰ মূৰ কাটি মদাৰ গছত ওলোমাই থৈ দিয়ে। চিনাকি আলহিক আদৰ-সাদৰ কৰি মদ ভাত খুৱাই, পাইপত ধপাত হুপি হুপি, এই গছজোপাত ওলমি থকা মূৰৰ লাওখোলাবোৰ দেখুৱাই, নিজৰ গাঁৱৰ ৰণকৌশলৰ কথা কৈ আলহিৰ মন তৃপ্তি কৰে। কথাৰ কোবত সময়ে সময়ে দা যাঠি লৈ জপিয়াই জপিয়াই কেনেকৈ কাটিছিল দেখুৱায়। নগবিলাকৰ ধনসম্পত্তিৰ গৌৰৱ একো নাই। যি জনে ৰণত মানুহৰ মূৰ কাটি আনিব পাৰিব, গঞা সকলোৱে তাৰহে গৌৰৱ পুৰুষে পুৰুষে কৰিব। আজিকালি মানুহ কাটিবলৈ গবৰ্ণমেণ্টৰ নিষেধ, কিন্তু এতিয়াও পূৰ্ব্বে কত কোনে কেনেকৈ মানুহ কাটি আনিছিল তাৰ গৌৰৱহে প্ৰধান। নগাৰ প্ৰতি কথাত প্ৰতি কাৰ্য্যত এই মানুহ কটা দম্ভ দেখা যায়।

৩—

এই গাঁৱৰ পশ্চিমে নগাৰ পূজা কৰা থান আছে। বাঁহৰ কাঠিৰ হেদালিৰ দৰে বৈ, এই থানবিলাক কৰা আছে। এই হেদালিৰ ওপৰত সৰু সৰু টোম্ বিলাকত, তগা পুৰণি চক, কুকুৰাৰ পাখি, কণীৰ চোকোৰাবিলাক ওলোমাই থৈছে। কোনো কোনো থানৰ ওচৰত, গছৰ পাতত ভাত, মদ, মঙহ পৰি আছে। আমি ঈশ্বৰৰ উদ্দেশ্যে পবিত্র বস্তু দান কৰোঁ, কিন্তু নগাবিলাকে, পুৰণি চক, জুঠা ভাত মঙহ আদিহে দান কৰে।

এই থানবিলাক চাঁওতে চাঁওতে, এজোপা আঁহত গছৰ সিপাৰ খোবোঙত অসমীয়া মিত-দা দুখন দেখি, ওচৰ চাপি, হাতত লৈ চালোঁ। দা কিখন পুৰণি, মামৰে খাই অতি অলপহে অৱশেষ আছে। দা কিখন অবিকল অসমীয়া মিত্ দা। দীঘে প্ৰায় দুহাত মান হব, বহলে, মামৰে খাই ৪ আঙ্গুলি মানহে আছে, কিন্তু বোধ হয় যে পূৰ্ব্বে ৬।৭ আঙ্গুলিমান বহল আছিল। খোবোংটো ভালকৈ চালত আৰু এডোখৰ দাৰ লো পালোঁ, সম্ভৱতঃ এই থনও এখন দা আছিল। দা কিখন দেখি ঘৰলৈ আনিবলৈ মন গল, কিন্তু নগা-বিলাকে বাধা দিলে। দা কিখন ইহঁতে "চুংগ্ৰেম্ ফু" 'চুংগ্ৰেম্' অৰ্থে ঈশ্বৰ আৰু "ফু" অৰ্থে দা ) বুলি পূজা কৰে। এই দা কোনে ইয়ালৈ আনিলে, কাৰ দা, সুধিলত জানিলোঁ যে অতি পূৰ্ব্বে (নগা কথাত "আলেম্'ল" শব্দে পূৰ্ব্বে বুজায়, কিন্তু কত কালৰ পূৰ্ব্বে তাৰ একো অৰ্থ নাই ) এজন অসমীয়া ৰজা আহি, এই গাঁৱৰ আশ্ৰয় লৈ ইয়াতে বহা সাজি আছিল। সেই ৰজাৰ লগৰীয়াবিলাকে "দৈবে" দিয়া দা বুলি বিশ্বাস কৰি, এই গছৰ তলত থৈ, আজি পৰিমিত এই দা পূজা কৰি আছে।

এই দা কিখন পোৱা ঠাইৰ ১০ নল মান পশ্চিমে দীঘে প্ৰায় ১০০ গজ, পথালিয়ে প্ৰায় ৫০ গজ, মানুহে খনা চিন থকা পুখুৰী এটা দেখিলোঁ। পুখু-ৰীত গা ধুবলৈ উপযুক্তৰূপে শিল পৰা আছে ; কিন্তু পুখুৰী পোত গৈ এতিয়া প্ৰায়, মাজত এককাল মানহে পানী আছে। চাৰিওপিনে অৰণ্যে কাঠনি।

দা কিখন আৰু পুখুৰী চাই, বুজিলোঁ যে অৱশ্যে ইয়াত কোনো অসমীয়া মানুহ অনেক বছৰ আছিল। মোৰ ভাবত ৭ বছৰৰ কম হব নোৱাৰে। অসমীয়া মানুহ ইয়াত ৭ বছৰৰ কম যে থকা নাই তাৰ কাৰণ মই পিছত বাহুল্যৰূপে বুজাবলৈ চেষ্টা কৰিম। নগাই কয় যে ইয়াত এজন বৰ বলী



অসমীয়া ৰজা আছিল, কিন্তু কি নাম কব নোৱাৰে। নগাই কয় যে তেঁও ইয়ালৈ আহি নগাবিলাকৰ সহায় বিচৰাত, নগাবিলাকে তেঁওক সহায় দিয়ে। তেঁও ভৈয়ামৰ ৰণবিদ্যা শিকাই অনেক ডেকা নগা ৰণুৱা ভৈয়ামলৈ নি ৰণ কৰি, ৰণত জয় হৈ, তেঁওৰ নগৰ ৰংপুৰত ৰজা হল গৈ। এই উপকাৰৰ নিমিত্তে নগাই হাতীৰ মঙহ খাবলৈ খোজাত, এই ৰজাজনে অগণ্য হাতী নগা-বিলাকক দিয়ে। এই নগাবিলাকে হাতীৰ মঙহ খায় অত্যন্ত আনন্দিত হৈছিল।

ৰজা থকা কোনো চিন আছে নে নাই বিচাৰি ৰজা থকা ঠাইলৈ গৈ অনেক বিচাৰিলোঁ, কিন্তু কোনো চিন নেপালোঁ। দেখিলোঁ যে নগাবিলাকে এই ৰজা থকা ঠাইডোখৰ পবিত্র ভাবি, আজিলৈকে এই ঠাই ডোখৰ পূজা কৰি থাকে। মোৰ ভাবত এই ৰজাৰ সম্মানৰ ওপৰতহে এই দা আৰু ৰজা থকা ঠাইৰ পূজা প্ৰচলিত হৈ আছে।

এই দা আৰু ৰজা থকা ঠাইৰ গাঁৱৰ নাম "মপুংজুকেটু"। "মপুং" শব্দে ৰতাহ, আৰু জুকেটু অৰ্থে পৰিলহি বুজায়। অৰ্থাৎ "ৰতাহত সৰিপৰা" গাঁও। "মপুংজুকেটৰ" অৰ্থ এই যে পূৰ্ব্বে নগাবিলাক "লুংকম্" ( শিলাময় ) পৰ্ব্বতত থাকোতে, এদিন ধুমুহা ৰতাহে "লুংকম্" গাঁৱৰ ঘৰৰ চালৰ টকৌপাত উৰাই আনি এই পৰ্ব্বতৰ টিঙত পেলালত, এই নগাবিলাকে সেই টকৌ পাত বিচাৰি পাই, ইয়াতে এই মপুংজুকেটু গাঁও পাতিলে। এই গাঁৱৰ ওচৰত এই পুখুৰীৰ কাষত, ৰজা থকা ঠাইক নগাবিলাকে "মুংচেম্" বুলি কয়। "মুংচেম্" শব্দে নগাবিলাকৰ জাত এটাৰ নাম। কিন্তু এই "মুংচেম্" গাঁৱত "মুংচেম্" এটাও নাই। এইখন জুঙ্গি জাতৰ নগা থকা গাঁও। নগাৰ "আমুং" ( বিশ্ৰাম শব্দৰ পৰা "মু" শব্দ হৈছে, আৰু "চেম্" শব্দে ঠাই বুজায়, এই নিমিত্ত "মুংচেম্" শব্দৰ অৰ্থ বিশ্ৰাম স্থান হল। ইয়াৰেপৰা বেছ বুজা যায় যে ৰজা আহি বিশ্ৰাম কৰিছিল বুলি এই স্থানক "মুংচেম্" বোলে।

জে. এইচ এনড্ৰু।

---

# ৰুক্মিণীৰ বিবাহ

ৰুক্মিণী কুণ্ডিল নগৰৰ ভিষ্মক ৰজাৰ জীয়েক। তেওঁ ৰূপে গুণে ধন্যা আছিল।

সকলোৰেপৰা চন্দ্ৰকলাৰ দৰে দিনে ২ বাঢ়ি আহিছিল। ৰজাই পণ্ডিত ৰখাই তেওঁক প্ৰণালী অনুসাৰে শিক্ষা দিয়াইছিল। ৰুক্মিণীৰ মনত জ্ঞান ওপজাৰেপৰা ধৰ্ম্মত বৰ মতি আছিল। ঈশ্বৰলৈ ভক্তি, পিতৃ মাতৃলৈ শ্ৰদ্ধা ভক্তি, গুৰুজনসকলক সন্মান কৰা, আৰু বৰ কাণ্ঠা আছিল। সখিবিলাকৰ লগত সদ্ভাৱ আছিল। তেওঁৰ ককাইদেৱেক ৰুক্মবীৰকো তেওঁ বৰ ভাল পাইছিল। ৰুক্মিণী সকলোৰে আদৰৰ পাত্ৰী আছিল। ৰুক্মিণীৰ মনত সদ ভাৱ সজ কথাই সদায় বিৰাজ কৰি থাকে। তেওঁ তেওঁবিলাকৰ কুলদেৱী ৺ দুৰ্গাৰ মন্দিৰলৈ সদায় পূজা চাবলৈ আৰু সেৱা কৰি মনৰ বাঞ্ছা জনা-বলৈ যায়। তেওঁ ভালকৈ বুজিছিল এই সংসাৰত জন্ম লোৱা মনুষ্য সকলো এই পুৰুষ পত্নী দুটায়ে এক হৈ সংসাৰত চলি থাকে. গতিকে মইও সেইদৰে এজন পুৰুষৰ আশ্ৰয় লৈহে চলিব লাগিব। সেই পুৰুষজন মোৰ মনৰ জোখাৰে হলেহে যদি মোৰ মিল প্ৰীতি সুখ্ শান্তি হব পাৰিব। যেনে তেনে এজনক পালে তেওঁৰ হাতত পৰি কিবা জানি ভৱিষ্যতে মোৰ মহা অশান্তি হব পাৰে। এতেকে কোন পুৰুষে নো মোৰ মন আকৰ্ষণ কৰে তাকে চিন্তা কৰি চোৱাই ভাল। এই বুলি ৰুক্মিণীয়ে অনেক দিন ভাবি ২ দ্বাৰকাৰ শ্ৰীকৃষ্ণকে স্বামী বৰিবলৈ ইচ্ছা কৰিলে। সেই কথা মনত আলোচনা কৰি ২ শ্ৰীকৃষ্ণক ভাল বুলি মনে ধৰাত কৃষ্ণকে স্বামী বৰিম বুলি মনত সংকল্প কৰিলে আৰু ৺ দুৰ্গা দেৱীক প্ৰাৰ্থনা কৰিলে "হে আই! শ্ৰীকৃষ্ণই হে মোৰ হৃদয়ৰ দেৱতা,তেওঁ বিনে মই আনক স্বামী নবৰোঁ; মোক তেওঁক যেন মিলাই দিয়ে, আপোনাৰ চৰণত মোৰ এই প্ৰাৰ্থনা।" ৰুক্মিণীয়ে কৃষ্ণক সৰ্ব্বশ্ৰেষ্ঠ বুলি মানি সেই দিন ধৰি তেওঁকে আৰাধনা কৰিবলৈ ধৰিলে।

ৰুক্মিণী লাহে ২ পূৰ্ণযৌৱনা হৈ আহিল। ৰজা ৰাণীয়ে জীয়েকক এটি ভাল লৰাত বিয়া দিবলৈ বৰ ব্যস্ত হৈ দেশে ২ কটকি পঠিয়াই যোগ্য দৰা বিচাৰিবলৈ ধৰিলে, কিন্তু ৰুক্মিণীয়ে যে দৃঢ়নিশ্চয়কৈ মনেৰে সৈতে শ্ৰীকৃষ্ণক, অলপ ডাঙৰ হবৰেপৰা স্বামী বুলি বৰিছে সেই কথা তেওঁবিলাকে সমূলি জনা নাছিল। ৰুক্মিণীৰ ককাইদেৱেকে মৰমৰ ভনীয়েকক শিশুপাল নামে ৰজা লৰাত বিয়া দিবলৈ ঠিক কৰিছে বুলি ৰুক্মিণীয়ে শুনিবলৈ পাই সেই কথা মনে মনে অনুসন্ধান কৰাত সঁচা কথা বুলি জানি তেওঁ বৰ সঙ্কটত পৰিল আৰু-



ভয়তে আতঙ্কিত হৈ কি উপায় কৰিম বুলি চিন্তা কৰিবলৈ ধৰিলে। ভাবিলে যে মইতো শ্ৰীকৃষ্ণক স্বামী বুলি বৰণেই কৰি থৈছোঁ, এতিয়া যদি আনক স্বামী কৰিব লাগিল তেন্তে তো মই ব্যভিচাৰিণী হম। তেওঁ গ্ৰহণ কৰক বা নকৰক মই তো মোৰ সতীত্ব শ্ৰীকৃষ্ণতে অৰ্পণ কৰি থৈছোঁ। ককাইদেৱে দিলেও মই শিশুপালত কেতিয়াও বিয়া সোমাব নোৱাৰোঁ। যদিহে ককাইদেউৱে মোক বলেৰে ধৰি বিয়া দিয়ে তেতিয়া নো মই কি উপায় কৰিম। হায়। ইমান দিনৰপৰা কৰা মনৰ হেঁপাহ এনেই যাব, তাতকৈ মোৰ মৰণেই ভাল। পুৰুষাৰ্থত সিদ্ধি বুলি লোকসকলে কয়, মইও পৰাখিনি যত্ন কৰি চাওঁচোন। এই বুলি তেওঁৰ প্ৰধান বিশ্বাসী সখীয়েকক মাতি আনি কলে; "সখি, তুমি মোৰ পূজনীয়া আইৰ ওচৰলৈ গৈ কোৱা গৈ যে মই মোৰ মনত বোধ হবৰেপৰা মনেৰে দ্বাৰকাৰ শ্ৰীকৃষ্ণক স্বামীভাৱে বৰি থৈছোঁ আৰু সদায় ৰাতিয়ে দিনে তেওঁকে ভাবি আছোঁ। ককাইদেউৱে মোক শিশুপাল ৰজাত বিয়া দিলে মোৰ সতীত্ব ধ্বংস হব। মই শিশুপালৰ ছাঁতো ভৰি দিব নোৱাৰোঁ, যদি হে বলেৰে দিব খোজে তেন্তে আইয়ে আৰু মোক নাপায়. মই নিশ্চয় প্ৰাণ বিসৰ্জ্জিম। যুৱতী কন্যাক পিতৃ মাতৃয়ে সৰ্ব্বপ্ৰকাৰে চকু দি চায় আৰু সদ্ শিক্ষা দি ডাঙৰ কৰি উপযুক্ত সময়ত সৎ পাত্ৰত দান কৰে; এতিয়াও মাতৃয়ে পিতৃক কওক দ্বাৰকাৰপৰা শ্ৰীকৃষ্ণক নিমন্ত্ৰণ কৰি আনি মোক দান কৰি মোৰ সতীত্ব ৰক্ষা কৰক। সখি, মোৰ মন প্ৰাণ এতিয়া মোৰ অধীনত নাই। মই কেতিয়াবাই কৃষ্ণৰ চৰণত অৰ্পণ কৰি থৈছোঁ। তেওঁক নাপালে আনক কেতিয়াও নবৰোঁ; তাতকৈ" মৰণেই মঙ্গল, এই কথা দৃঢ় নিশ্চয় জানিবা। আইৰ আগত বুজাই কবা। সখীয়েকে গৈ সকলো কথা ৰাণীত জনালে; ৰাণীয়ে ৰজাত জনালে; আৰু জীয়েকৰ সতীত্বৰ ওপৰত পৰম বিশ্বাস দেখি বৰ সন্তোষ পাই কলে, ছোৱালীক কৰা বাক তেওঁৰ ভালেই আমাৰ ভাল, শ্ৰীকৃষ্ণক মাতি পঠোৱা যাব। ৰাণীৰ কথা শুনি পুতেকে কলে কি? ৰুক্মিণীক তোমালোকে কৃষ্ণত বিয়া দিব পাৰিবানে? নিশ্চয় মই শিশুপাল ৰজাত হে দিম। কৰ কৃষ্ণ মই কি জানো, শিশুপাল হে মোৰ ভনীৰ যোগ্য। ৰুক্মবীৰ মইমতীয়া, ৰজা ৰাণীৰো একেটি লৰা, তাৰ কথা তেওঁলোকে বৰকৈ পেলাব নোৱাৰে,

গতিকে মনত বৰ আশঙ্কা হৈ চিন্তা কৰিবলৈ ধৰিলে। ভাবিলে যে লৰা-টোৰপৰা ৰুক্মিণীৰ বিয়া সুকলমে হোৱা টান। ৰুক্মিণীৰ সখীয়েকে শুনি আহি সকলো কথা তেওঁক কলেহি, ৰুক্মিণীয়ে তেতিয়া জানিলে হায়! মোৰ কপালৰ গতি মন্দ, দেউতা আৰু আয়ে ককাইদেউৰ কথা পেলাব নোৱাৰে; নিশ্চয় মোক শিশুপালত হে বিয়া দিব। এতেকতে মই পিতৃ মাতৃয়ে আনন্দেৰে সৈতে মোক বিয়া দিয়াৰ আশা এৰি দি আন উপায়ে শ্ৰীকৃষ্ণক পাবলৈ হে যত্ন কৰিব লাগিল, এতিয়া আৰু মোৰ লাজ কৰাৰ সময় নহয়। ছলে বলে কৌশলে আপোনাৰ সতীত্ব আপুনি ৰখোৱা হে কৰ্ত্তব্য। মনে-ৰেও যদি কোনো বস্তু দান কৰা যায় সেই দান লঙ্ঘন কৰিলেও মহা দোষ বুলি শাস্ত্ৰই কয়। এতিয়া আন উপায় নিচিন্তি বহি থাকোঁতেই যদি শিশু-পালে মোৰ সতীত্ব নষ্ট কৰে, সেই মহাপাপত মোৰ পৰিত্ৰাণ নহব। হেন জানি শ্ৰীকৃষ্ণৰ চৰণতে শৰণ লৈ সকলো কথাকে জনাওঁ, তেতিয়া যি হব লগীয়া আছে হব। এই বুলি ৰুক্মিণীয়ে অতি গোপনে শ্ৰীকৃষ্ণলৈ এখনি কাৰুণ্যকৈ পত্ৰ লিখিলে। চিঠিখনিত এই এই কথা লেখিলে:—

"বিপদভঞ্জনেষু—

হে দেৱ! আপোনাৰ শ্ৰীচৰণত অনাথা ৰুক্মিণীৰ কাৰুণ্য নিবেদন এই। বিবাহ কি কাক বোলে এই কথাৰ ধেলনি মনলৈ আহিবৰেপৰা মই মোৰ মন প্ৰাণ সতীত্ব সকলো আপোনাৰ শ্ৰীচৰণতে সমৰ্পণ কৰি থৈছোঁ। এই সংসাৰত মোৰ আপোনাত বিনে হৃদয়ৰ দেৱতা কোনো নাই। আপুনি গ্ৰহণ কৰক বা নকৰক মই প্ৰীতি আৰু ভক্তিৰে সৈতে আপোনাক মোৰ হৃদয়ৰ আসনত বহুৱাই চকুৰ লোৰেৰে পাদপদ্মদুখানি নোৱাই প্ৰীতি-চন্দন বঁটি শৰীৰৰ পঞ্চেন্দ্ৰিয়ৰে সৈতে পূজা কৰি সতীত্ব-দক্ষিণা উছৰ্গি দি চৰণ-তলৰ দাসী হৈ আছোঁ। তিৰুতাৰ সতীত্বই প্ৰধান সম্পত্তি, সেই ধনবাকে যদি আন জনে বল কৰি লয় তেনেহলে মোৰ জীৱনত সকাম নাই, মই নিশ্চয় আপোনাৰ অধিনী। ককাইদেৱে মোক শিশুপালত বিয়া দিব খুজিছে। মোৰ তেওঁৰ ছাঁতো ভৰি দিবৰ শক্তি নাই। মোৰ পিতৃ মাতৃৰ একেটি লৰা, তেওঁলৈ বৰ মৰম গুণে তেওঁৰ কথা পেলাব নোৱাৰে, এতেকতে মোৰ মহা বিপদ মিলিছে। যদি আপোনাৰ এই উপায়হীন যুৱতীৰ প্ৰতি অনুগ্ৰহ হয়



তেন্তে যেনে তেনে উপায়ে এই বিপদৰপৰা উদ্ধাৰ কৰি অমূল্য ধন সতীত্ব ৰক্ষা কৰক। বিশেষ শৰণাগতা আতুৰা দুৰ্ব্বলা স্ত্ৰীৰ সতীত্ব ৰক্ষা কৰা মহৎ জনৰ কৰ্ম্মই, তাৰ দ্বাৰাই পুণ্যও সঞ্চিত হয়। আপোনাক সমৰ্পণ কৰা সতীত্ব যদি আনে লবলৈ ধৰে তেনে হলে মোৰ এই ঘৃণনীয় জীৱনক নিশ্চয় অগ্নিত আহুতি দিম বুলি সংকল্প কৰি থৈছোঁ। আপোনাৰ শ্ৰীচৰণ সেৱা কৰি জন্মৰ সাৰ্থক কৰিব পাৰিম বুলি পৰম আশা কৰি আছোঁ। তিৰুতাৰ লজ্জা এটা শৰীৰৰ ডাঙৰ অলঙ্কাৰ,আতুৰত পৰি মই সেই লজ্জাকো বিসৰ্জি এই পত্ৰ লেখি সকলো কথাকে সৰল চিত্তেৰে আপোনাক জনালোঁ। হে গুণাকৰ! লজ্জা এৰা [illegible]ৰে বা আন কোনো কাৰণে ঘৃণা নকৰি ভাৰ্য্যা বুলি বা দাসী বুলি এই মোক গ্ৰহণ কৰিলে মোৰ জীৱনৰ আশা পূৰ্ণ হয়। হে প্ৰাণৰ দেৱতা! সৰ্ব্ব দোষক মৰ্ষণ কৰি যি বিহিত হয় কৰিব মোৰ এই গোহাৰি। ইতি

শ্ৰীচৰণ অভিলাষিণী ৰুক্মিণী—

ৰুক্মিণীক সৰুৰেপৰা পঢ়াই-শুনাই ডাঙৰ কৰা শ্ৰীবেদনিধি নামে এজন বৰ সজ ব্ৰাহ্মণ আছিল। সখীয়েকৰ হতুৱাই অতি গুপুতে তেওঁক মতাই আনি সেৱা কৰি কলে "হে দেউ! আপোনাৰ মোলৈ বৰ মৰম আৰু অনুগ্ৰহ আছে মই তাক জানো। সৰুৰেপৰা মৰম কৰি মোক ইমান ডাঙৰ কৰিছে; এতিয়া মোৰ বৰ সঙ্কত উপস্থিত হৈছে, আপুনি মোক এই বিপদৰ পৰা উদ্ধাৰ নকৰিলে আন কোনেও কৰোতা নাই, কিয়নো আপোনাৰ দৰে হিত চিন্তা কৰা আৰু অতি গুপুতে কাৰ্য্য সিদ্ধি কৰিব পৰা লোক মই নেদেখোঁ। দেউ! মই জনা হবৰেপৰা দ্বাৰকাৰ শ্ৰীকৃষ্ণক কায়মনোবাক্যে স্বামীভাবে বৰণ কৰিছোঁ। সদায় তেওঁকে চিন্তি আছোঁ,এতিয়া ককাইদেউৱে বোলে মোক শিশুপাল ৰজাত বিয়া দি মোৰ সতীত্ব ধংস কৰিব খুজিছে। বাৰু আপুনি কওকচোন এনে কথা হব পাৰেনে? দেউতা আৰু আইয়ে ককাই দেউৰ কথা পেলাব নোৱাৰে গতিকেই মোৰ দুৰ্ব্বিপাক মিলিছে। মই কৃষ্ণত বাজে আনক ভজাতকৈ নিশ্চয়ে প্ৰাণ ত্যাগ কৰিম। এতেকে হে দেউ, আপুনি, শ্ৰীকৃষ্ণলৈ লেখি থোৱা পত্ৰখনি লৈ আজি দ্বাৰকাপুৰিলৈ যাওক। তেওঁৰ হাতত মোৰ পত্ৰখনিও দিব আৰু মুখেৰেও মোৰ বিপদৰ কথা সকলোখিনি জনাব, আৰু কব যদি তেওঁ মোক গ্ৰহণ নকৰে, নিশ্চয়

মই তেওঁতে বধৰ ভাগ দি প্ৰাণ ত্যজিম। আপুনি নানা প্ৰকাৰে তেওঁক বুজাই কব যদি শ্ৰীকৃষ্ণই মোক নিবহি খোজে তেতিয়া কব পিতাৰপৰা তেওঁ মোক সহজে দান লব নোৱাৰে। বলে চলে নিলেহে নিব পাৰিব। অমুক দিনা বিয়াৰ দিন স্থিৰ কৰিছে. মই সেই দিনা ৺দুৰ্গাৰ মন্দিৰলৈ যাম। সেই সময়তে মোক তাৰপৰাই লৈ যাব পাৰিব। ক্ষত্ৰিয়সকলে সেইদৰে অনেকক বিয়া কৰাবলৈ ধৰি নিয়ে, তাত কোনো দূষণ নহয়, বিশেষ অবলা স্ত্ৰীক বিপদৰপৰা উদ্ধাৰ কৰাতো পৌৰুষ হে, আৰু মই তেওঁৰেই অধিনী তাকো কব।

ৰুক্মিণীয়ে বাপুদেউৰ হাতত পত্ৰখনি দি কলে-দেউ! এই কথাৰ যেন কোনেও গুংসূত্ৰকে নাপায়। বিলম্বে কাৰ্য্যনষ্ট হব পাৰে,মই আপোনাৰ পুনৰাগমনলৈকে বাট চাই থাকিম। বেদনিধি দেউ পত্ৰ লৈ দ্বাৰকা লৈ গল। যথাসময়ত দ্বাৰকাত উপস্থিত হৈ কৃষ্ণৰ হাতত চিঠি খনি দি মুখেৰেও যি পাৰে ৰুক্মিণীৰ ৰূপ গুণ আৰু তেওঁক পাবলৈ কিমান হেপাহ তেওঁলৈ কিমান ভক্তি সকলোকে ভালকৈ কলে। শেষত কলে হে দ্বাৰকানাথ! ৰূপ গুণে স্বভাৱে চৰিত্ৰে ৰুক্মিণী আপোনাৰে হে যোগ্যা, বিশেষ ৰুক্মিণী আইক বলেৰে শিশুপালক বিয়া দিয়ে বুলি তেওঁ অতি বিহ্বলা হৈছে অবলা তিৰুতাৰ নিজে নিজক ৰক্ষা কৰিবৰ ক্ষমতা নিচেই অলপ ; সেই দেখিয়েই ধৈৰ্য্য আৰু লাজ এৰি আপোনাক জনাইছে বিশেষ,যুবতী কন্যাক এই মহাবিপদত উদ্ধাৰ কৰা আপোনাৰ দৰে মহৎ জনৰেই নিতান্ত কৰ্ত্তব্য, ইয়াকে বুজি যি বিহিত হয় কৰক। কৃষ্ণই ৰুক্মিণীৰ পত্ৰ পঢ়ি আৰু বাপুৰ মুখেও সকলো কথা শুনি বাপুক কলে, “ভাল দেউ! আপুনি আজি বিশ্ৰাম কৰক, কাইলৈ গৈ তেওঁক কব যে নিশ্চয়ে মই তেওঁক বিয়াৰ দিনাই লৈ আহিম। তেওঁ যেন ঠিক হৈ থাকে। আৰু কব তেওঁৰ পত্ৰ পাই এই তেওঁক মই মোৰ হৃদয়ত ঠাই দিলোঁ। তেওঁ মোৰ হল। তেওঁক শিশুপালে কেতিয়াও নিব নোৱাৰিব ; মনত কোনো ভয় বা আশঙ্কা নকৰিব।

ইফালে ৰুক্মিণীয়ে বেদনিধিক পত্ৰ দি পঠাই আঙ্গুলিৰ মূৰত দিন লেখি আছে লেখৰ দিনত বেদনিধিক আহি নোপোৱা দেখি মনত বৰ চিন্তা কৰিলে, বাপু দেউ দেখোন আজি উভতি আহি পাবহি লাগিছিল কিয় নাপালেহি



বুলি ৰুক্মিণীৰ চিন্তাতে প্ৰাণ যায় যায় হল। উপায় নাপাই সখীয়েকক কলে প্ৰিয় সখি, মোৰ ভাগ্যত কৃষ্ণমুখ দৰ্শন নাই। কাইলৈ তো বিয়াৰ দিনেই হল, বেদনিধিও আহি নাপালেহি, গতিকে অগ্নিত প্ৰাণ আহুতি দিয়াৰে ঠিক হল। তোমাৰে সৈতে বৰ প্ৰীতি ভাবে সৰুৰপৰা ইমান ডাঙ্গৰ হলোঁ, এতিয়া মোৰ শেষ কালত এটী উপকাৰ কৰি, তোমাৰ মৰম মোৰ বুকত সানি দি মোক বিদায় দিয়া সখি! মোক এটী অগ্নিকুণ্ড কৰি দিয়া মই শ্ৰীকৃষ্ণ শ্ৰীকৃষ্ণ বুলি জাপ দি পৰি মৰোঁ। হায় সখি! মই সপোনতো তেওঁকে হে দেখোঁ। ৺বী দুৰ্গাৰ মন্দিৰলৈ গলেও যেন ভগৱতীয়ে মোৰ কাণে কাণে কৃষ্ণৰ গুণকেহে কয় আৰু কৃষ্ণকহে ভজিবলৈ দিয়ে। বনৰ চৰাইবোৰেও যেন কৃষ্ণৰ গুণকেহে গায়। বতাহৰ হো হো শব্দেও যেন কৃষ্ণৰ গুণকেহে কয়। পৰ্ব্বত আৰু বনৰ প্ৰতিধ্বনিতো যেন তাকেহে শুনো। নৈৰ পাৰলৈ গলেও যেন সোঁতৰ শব্দে প্ৰাণ-কৃষ্ণৰ গুণ হে গায়। সখি, মোৰ মন প্ৰাণ কৃষ্ণই কাঢ়ি নিলে। যি পোনেই চাওঁ সেই পোনেই কেৱল গুণময় কৃষ্ণকে হে দেখোঁ। এনে যেন সাধনাৰ ধন কৃষ্ণচন্দ্ৰক মই এই জন্মত নাপালোঁ, পৰ জন্মত পাবলৈ আশাৰে তেওঁৰ নাম-জপ কৰি কৰি জুইত পৰি মৰিলে হে মই মুক্তি পান। মোৰ শপত সখি মোক অগ্নিকুণ্ড কৰি দিয়াঁ। ৰুক্মিণীক বৰ বিহ্বল হোৱা দেখি সখীয়েৰেক বহু আশ্বাস দি কলে, সখি বিহ্বল হোৱাৰ একো গুণ নাই, এতিয়াও সময় আছে, স্থিৰ হোৱাঁচোন। বাপু দেউ পাবহি পায়। আহা চোন প্ৰকৃতিৰ শোভা চাওঁগৈহঁক, মনটোক অলপ চলিবলৈ দিলে শান্তি পোৱা যায়। এই বুলি দুইও ফুলনিৰ ফালে ওলাই গল। সখীয়েকে ৰুক্মিণীক হাতত ধৰি লৈ ফুৰাইছে। বকুল ফুলৰ ওচৰ পাই কলে সখি! তল-সৰা বকুল ফুল বুটলি লও আঁহা। তোমাৰ কৃষ্ণচন্দ্ৰক দিবলৈ ইয়াৰে মালা গাথি থবা দেই। তেতিয়া ৰুক্মিণীয়ে হুমুনিয়াহ পেলাই এটী গীত গালে।—

সখি! ফুলিছে বকুল গোন্ধতে আমোল
পদুলিৰ মুখত গুৱনী হৈ,
তল ঢাকি সৰি আছে পৰি পৰি
তুলি আনি মালা গাথোঁ কালৈ ?
শীৰৰ ভূষণ শ্ৰীমধুসূদন
তেওঁ যে আছে দ্বাৰকাত হৈ।

যোৰা আগ বাঢ়ি কোৰা গৈ বাতৰি
আহক কৃপা কৰি ৰুক্মিণীলৈ।
যদি তেওঁ নাহে পৰম উলাহে
জীৱন তেজিম শান্তি আশা লৈ।

এইদৰে ৰুক্মিণীয়ে খেদ কৰি কথাবাৰ্ত্তা কৈ থাকোঁতেই বেদনিধি দেউ আহি পালেহি। ৰুক্মিণীৰ আগত শুভ সমাচাৰ দি কলে আই তুমি আৰু ভয় বা খেদ নকৰিবা, দ্বাৰকাৰ কৃষ্ণ নিশ্চয় আহি তোমাক লৈ যাবহি, তুমি সাজু হৈ থাকা মাথোন। তেতিয়া ৰুক্মিণীৰ মনত বং হল,ভক্তিভাবে ভগৱতীক মনেৰে সেৱা কৰিলে। বিয়াৰ দিনা সুন্দৰকৈ পিন্ধিউৰি দুৰ্গাৰ মন্দিৰলৈ গল ; সেই সময়তে কৃষ্ণ আহি তেওঁক ৰথত তুলি লৈ গল। নগৰত বৰ হুল-স্থুল পৰিল। সেই কথা ৰুক্মবীৰে শুনি সৈন্য সামন্ত লৈ যুদ্ধৰ সাজেৰে কৃষ্ণৰ ৰথৰ পিছে পিছে গৈ ৰথ ধৰি ৰখালে। সেই যুদ্ধৰ লগতে শিশুপাল ৰজাও গৈছিল। কৃষ্ণই আপোন পৰাক্ৰমৰ দ্বাৰাই ৰুক্মবীৰ আৰু শিশুপালক ধৰি আনি ৰুক্মিণীক সুধিলে এই দুজনৰ প্ৰাণ বধ কৰাই ভাল নহয় নে ? ৰুক্মিণীয়ে কৃষ্ণৰ চৰণত পৰি কলে, হে ক্ষমা কৰক ককাইদেউক মোৰ আগতে বধ কৰিলে মোৰ প্ৰাণে নসহিব ; বিশেষ মোৰ দুৰ্নাম ঘোষণা হব। এতেকে তেওঁক এৰি দিবলৈহে মোৰ প্ৰাৰ্থনা। শিশুপাল ৰজাকো নিজ গুণে ক্ষমা কৰি এৰি দিলে ভাল। কিয়নো আমাৰ আজি শুভ দিন, সংযোগৰ দিনা পৰম আনন্দ হে কৰিব লাগে,এনেত প্ৰাণী হত্যা কৰা বিহিত নহয়। আপোনাৰ পৌৰুষ সকলোৱে জানে, এতিয়া প্ৰাণীক বধ কৰাৰ পৰা কি লাভ আছে, ধৰি বান্ধি অনাতে যি লাঞ্ছনা হৈছে সেয়ে জুৰিছে। মহতৰ ক্ষমাই ভূষণ। তেওঁবিলাকক এৰি দি ৰথ চলাই বলক। ৰুক্মিণীৰ যুক্তিৰ কথা শুনি আৰু ক্ষমাগুণ দেখা পাই কৃষ্ণৰ অন্তৰত বৰ সন্তোষ লাগিল। আৰু ৰুক্মিণীৰ এই প্ৰথম অনুৰোধ বুলি তেওঁবিলাকক এৰি দিবৰ মন কৰি শিশুপালক কলে তুমি যাৰ নিমিত্তে যুদ্ধলৈ আগ হৈছিলা তেওঁৰ হস্তেই প্ৰাণ পালা, এতেকে তেওঁক মাতৃ ভাবে প্ৰণাম কৰি ঘূৰি যোৱা। ৰুক্মবীৰক কলে মই তোমাৰ ভনীয়াৰ হাতত ধৰি ৰথত তুলি ধৰ্ম্মপত্নী কৰিম বুলি আনিছোঁ যেতিয়া তুমি মোৰ মিত্ৰ হলা, মিত্ৰ বধ পৰাপক্ষে



কৰা অনুচিত,বিশেষ ভনীয়েৰাৰো অনুৰোধ। নহলে দুৰ্ব্বলা তিকতাক অনিচ্ছা সত্বে কিয় শিশুপালত দিব খুজিছিলা। কন্যাৰ পিতৃহে গৰাকি,পিতৃৰ অভাৱেহে ককাইয়েক ; পিতৃ বৰ্ত্তমানে তোমাৰ বল নচলে সেই বাবে তুমি দোষী তথাপি ক্ষমা পালা। তেওঁলোকক এৰি দি ৰুক্মিণীক লৈ কৃষ্ণ দ্বাৰকালৈ গল। নিয়ম অনুসাৰেতেওঁক বিয়া কৰাই মুখ্য পটেশ্বৰী কৰি দুইও সুখেৰে কাল নিয়াই থাকিল। ৰুক্মিণীয়ে সৰুতেই স্বামী বাছি লৈছিল আৰু পিতৃয়ে দান নকৰাকৈয়ে মনৰকথা গুপুত নকৰাকৈ লাজ এৰি নিজে শ্ৰীকৃষ্ণলৈ পত্ৰ লেখিবা দূত পঠাই মাতি আনি তেওঁৰ লগত গৈছিল সেই বাবে তেওঁক এতিয়া অনেকে নিন্দা কৰিব পাৰে কিন্তু ৰুক্মিণী নিন্দাৰ পাত্ৰী নহয় বৰং তেওঁক প্ৰশংসা কৰাহে উচিত। ৰুক্মিণীয়ে কৃষ্ণক মনেৰে ভাল পায় যেতিয়া তেওঁকে আত্ম সমৰ্পণ কৰিছিল ; পিছত আকৌ আনৰ ভাৰ্য্যা হৈ পৰম ধন সতীত্ব কিয় নষ্ট হবলৈ দিব ? বিপদ উপস্থিত হোৱা দেখি আপেন বুদ্ধি উদ্ধাৰ কৰি সৰুতেই কৃষ্ণক ভজিছিল ; সেই কথাতে দৃঢ় প্ৰতিজ্ঞান্বিতা হৈ লজ্জা ভয় পৰনিন্দা সকলোক এৰি শ্ৰীকৃষ্ণক মাতি আনি তেওঁৰ লগত গৈ তেওঁৰ মুখ্য পটেশ্বৰী হৈ সতীত্ব ৰক্ষা কৰি আজিলৈকে সতীৰ আদৰ্শ দেখুৱাই থৈ গৈছে।

শ্ৰীপদ্মাৱতী দেৱী ফুকননী।

---

## শ্ৰীকৃষ্ণ-কথা।

ভাৰতবৰ্ষত শ্ৰীকৃষ্ণ হিন্দুৰ হাড়ে হাড়ে, মগজুৱে মগজুৱে। যি সম্প্ৰদায়ৰ হিন্দুৱেই হওক, কৃষ্ণক কোনেও কোনোমতে নিজৰ জীৱনৰ কাৰ্য্যকলাপৰ পৰা আঁতৰাব নোৱাৰে। হিন্দুৰ থাওঁতে কৃষ্ণ, উঠোঁতে কৃষ্ণ, বহোঁতে কৃষ্ণ, শোওঁতে কৃষ্ণ, আমোদ প্ৰমোদ উৎসৱ-আনন্দত কৃষ্ণ, বিৰহ-বিচ্ছেদত কৃষ্ণ। হিন্দুৰ জীৱনৰ দীৰ কৃষ্ণ-বাণিৰে বোৱা, হিন্দুৰ মৰণৰ সামৰণি কৃষ্ণ-নামেৰে মৰা। হিন্দুৰ বিয়াত কৃষ্ণ-ৰুক্মিণীৰ বিবাহ-লীলাৰ অভিনৱ অভিনয়, সবাহত কৃষ্ণনামৰ সুমধুৰ তান-লয়। হিন্দুৰ দবা কইনাৰ ধ্বনিত কৃষ্ণনামৰ সুমধুৰ বোল, বেইত ঘূৰোঁতে কৃষ্ণনামৰ সুশীতল হিল্লোল। অধিবাসত কৃষ্ণৰ গীত, হোমৰ গুৰিত কৃষ্ণৰ সঙ্গীত। আশীৰ্ব্বাদত কৃষ্ণনাম, বিয়াৰ সমাপ্তিত কৃষ্ণনামেৰে প্ৰাৰ্থনা—ধৰ্ম্ম-অৰ্থ-কাম। যি দেৱতাৰ পূজাই হওক, কৃষ্ণনামেৰে পূজাৰ আৰম্ভন আৰু কৃষ্ণনামেৰেই

সেই পূজাৰ সামৰণ। হিন্দুৰ সৰ্ব্বকাৰ্য্যত কৃষ্ণৰ প্ৰসঙ্গ, সৰ্ব্বসম্বন্ধ কৃষ্ণ নামেৰে সুসাঙ্গ। মুঠতে "মাধৱ মাধৱো বাচি মাধৱ মাধৱো হৃদি, স্মৰন্তি সৰ্ব্বত্ৰ সৰ্ব্বে সৰ্ব্ব কাৰ্য্যেষু মাধৱ"। হিন্দুৱে ৰং-ধেমালি কৰে কৃষ্ণৰ বাল্য লীলা লৈ, ধং-ধৰিয়াল কৰে কৃষ্ণ-শিশুপাল-কংসবীৰৰ বাক্য-বচন লৈ। হিন্দুৰ শোক বিষাদ পৰিহাসত কৃষ্ণ, জনম মৰণ প্ৰবাসত কৃষ্ণ। হিন্দু শাক্তই হওক বা শৈৱই হওক, সৌৰই হওক বা গাণপত্যই হওক, হিন্দুৰ শৱ মৰিশালিলৈ নিওঁতে তাৰ চৌদিশে ভিতি কৃষ্ণনাম হৰি-বোল, মৃতকৰ সৎকাৰৰ সময়ত কৃষ্ণনামৰ কল্লোল। হিন্দুৱে গাত কাপোৰ লয় তাত "কৃষ্ণ কৃষ্ণ হৰে হৰে", ভয় ক্ৰোধ বিৰক্তি ঘৃণা বা আকস্মিক উচ্ছ্বাস প্ৰকাশ কৰোঁ, মুখেৰে "আৰে ৰাম! আৰে কৃষ্ণ!" কৰে। থাউকতে, হিন্দুৰ জীৱনৰ একেজাৰ-এটা কাৰ্য্যত কৃষ্ণ। কৃষ্ণবিনে হিন্দুৰ গতি নাই।—তেহেলৈ সকলো হিন্দুৱে কৃষ্ণক ভালকৈ জানিয়েই মাতক বা নাজানিয়েই মাতক, চিত্ত স্থিৰ কৰি জ্ঞান বিশ্বাস মতে কৃষ্ণৰ অৰুণ চৰণত নিজৰ হৃদয়ৰ পুষ্পাঞ্জলি অৰ্পণ কৰক বা নাভাবি নিচিন্তি উদ্দেশ্যবিহীন হৈ তেনেকুৱা কৰক, হিন্দুৰ সৰ্ব্বস্ব কৃষ্ণতেই সমৰ্পিত। সেইদেখিহে ভগৱন্ত শ্ৰীকৃষ্ণই গীতাত তেওঁৰ প্ৰিয় শিষ্য অৰ্জ্জুনক উপদেশ দিওঁতে এইদৰে কৈছে—

অহংহি সৰ্ব্বযজ্ঞনাং ভোক্তা চ প্ৰভুৰেৱচ।

নতু মামভিজানন্তি তত্ত্বেনাতশ্চ্যৱন্তি তে॥

যেহপ্যন্যদেৱতাভক্তা যজন্তে শ্ৰদ্ধয়ান্বিতাঃ।

তেহপি মামেৱ কৌন্তেয় যজন্ত্যাবিধিপূৰ্ব্বকম॥

ইয়াৰ মানে সংক্ষেপতে এয়ে যে, যি শ্ৰদ্ধাযুক্ত হৈ আন দেৱতাক ভজনা কৰে সি মোকেই উপাসনা কৰে; কিন্তু সেই উপাসনা অবিধিপূৰ্ব্বক হয় দেখি মোক জানি-শুনি বিধিপূৰ্ব্বক ভজনা কৰাৰ সমান ফলপ্ৰদ নহয়, সেই বাবে সেই জনৰ পুনৰাবৃত্তি হয়। ময়েই ভোক্তা, ময়েই প্ৰভু, ময়েই ফলদাতা ময়েই অন্তৰ্যামী, মোক এৰাই কোনেও একো কৰিব নোৱাৰে; যেয়ে যিহকে কৰক, যিহকে দিয়ক, সি মোলৈ আহিবই; কিন্তু মোক দিছে বুলি নাজানি দিয়া বাবে মোৰ কাৰ্য্য কৰিছে বুলি নাজানি কৰা বাবে তাৰ পূৰ্ণফল সি লাভ কৰিব নোৱাৰে।

ইংৰাজে ভাৰতবৰ্ষ অধিকাৰ কৰাৰ পিছত যেতিয়া পাশ্চাত্য শিক্ষা পাশ্চাত্য সভ্যতাৰ ঢৌৱে ভাৰতবৰ্ষক কোবাই আন্দোলিত কৰিবলৈ ধৰিলে, ভাৰতৰ পুৰণি সভ্যতা প্ৰাচীন শিক্ষা দীক্ষা প্ৰাচীন বিশ্বাস সংস্কাৰৰ কৰাল ফাটি গৈ প্ৰাচীন অট্টালিকা হেলেকলেক হৈ পৰোঁ পৰোঁ হল, ভাৰতীয় শিক্ষিত ডেকাই পাশ্চাত্য সভ্যতা শিক্ষা আৰু ধৰ্ম্মৰ বাহিৰা



চাকচিক্য দেখি দলে দলে সেইফালে আকৃষ্ট হবলৈ ধৰিলে, আৰু এনে সন্ধি-স্থলত তেওঁলোক উপস্থিত হৈ ভাৰতৰ সনাতন ধৰ্ম্মৰ যুগযুগান্তৰৰ পৰা সঞ্চিত বত্ন ৰাজিৰ মোল তেওঁলোকে বুজি বা বুজিবলৈ চেষ্টা নকৰি সেই মহাৰত্নসমূহক ভৰিৰে ঠেলি পেলাই পাশ্চাত্য খৃষ্টধৰ্ম্মৰ প্ৰদীপ্ত হুতাশনত চগা পৰাদি পৰিবলৈ ললিল, এনে Critical সময়ত ঈশ্বৰৰ ইচ্ছাত মহাপণ্ডিত মনস্বী মহাত্মা ৰামমোহন ৰায়ৰ বঙ্গদেশত আবির্ভাৱ। যুক্তি তৰ্ক আৰু বেদ বাইবোল কোৰানৰ বিশদ ব্যাখ্যাৰ প্ৰকাণ্ড গদা হাতত লৈ সেই মহাপুৰুষে পাশ্চাত্য শক্তিৰ প্ৰবল ঢৌৰ বিৰুদ্ধে থিয় হৈ, পুৰণি কালৰ ইংলণ্ডৰ ৰজা কেনুটৰ ( Canute ) দৰে সেই ঢৌৰ প্ৰতি বজ্ৰনিৰ্ঘোষ স্বৰেৰে আদেশ প্ৰয়োগ কৰিলে—So far thou shalt go and no further! হে বিশাল বিৰাট বাৰিধি-তৰঙ্গ! তই এই সীমালৈকেহে আহিবি এই সীমা ডেই আৰু আহিব নোৱাৰ। ইংলণ্ডৰ বুৰঞ্জীত আছে, কেনুট ৰজাৰ কথা সমুদ্ৰৰ ঢৌৱে আমান্য কৰিছিল। কিন্তু ৰামমোহনৰ হুকুম এই সমুদ্ৰৰ ঢৌৱে মূৰ দোৱাঁই মানি ললে। ইয়াৰ কাৰণ, কেনুটৰ হুকুমত যুক্তি তৰ্ক আৰু ধৰ্ম্মৰ বলৰ অভাৱ, সি মাথোন পাৰ্থিৱ ৰাজ-শক্তিৰ পাৰ্থিৱ হুকুম; ৰামমোহন ৰায়ৰ হুকুম অপাৰ্থিৱ ঐশ্বৰিক শক্তিৰে শক্তিময়, ৰজাৰো ৰজা বিশ্বব্ৰহ্মাণ্ডৰ অধিপতিৰ বিক্ৰমেৰে বিক্ৰমান্বিত, যি সম্ৰাটৰ অৰ্থাৎ যাৰ "মহাক্ৰোধে কটাক্ষেত্ৰে ত্ৰাসে, সাগৰ-কল্লোল কৰে।"

ৰামমোহন ৰায়ে একেশ্বৰবাদ খৃষ্টধৰ্ম্ম আৰু মহম্মদীয়ধৰ্ম্মৰ বিৰুদ্ধে সেই ক্ষেত্ৰৰ উপযোগী বেদান্তসূত্ৰে প্ৰতিপাদিত একেশ্বৰবাদ ধৰ্ম্মমতক থিয় কৰি দিলে। বাস্তৱিকতে দেশকাল পাত্ৰৰ হিচাপমতে সেই মহাৰথীৰ দ্বাৰাই সেই সময়ত সেই যুদ্ধ প্ৰণালীহে "ধৰ্ম্ম সংৰক্ষণাৰ্থায় সম্ভৱামি যুগে যুগে" বুলি কৰা প্ৰতিজ্ঞাৰ আশ্বাসবাণী প্ৰদান কৰোঁতা ভগৱন্তৰ অভিপ্ৰেত। বেদান্ত সূত্ৰৰ Concrete ব্যাখ্যাকাৰী পুৰাণৰ আধ্যাত্মিক ভাবপূৰ্ণ ধৰ্ম্মমত প্ৰচাৰৰ আৰু ব্যাখ্যাৰ সেইটো সময় নাছিল; কাৰণ সেই সময়ৰ পাশ্চাত্য শিক্ষাত শিক্ষিত পাশ্চাত্য আদৰ্শ-মদিৰাত প্ৰমত্ত ভাৰতবাসীৰ মন তেতিয়া একেবাৰেই বহিৰ্ম্মুখ। বুদ্ধদেৱৰ অৱতাৰৰ কালত যেনেকৈ চৈতন্যদেৱ শঙ্কৰদেৱ অৱতাৰৰ কাৰ্য্যৰ ক্ষেত্ৰ নাছিল, সেই সময়তো ঈশ্বৰৰ অভিপ্ৰেত কাৰ্য্য কৰিবৰ নিমিত্তে ৰামমোহনৰ গঢ়ৰ অৱতাৰৰ বাহিৰে আন প্ৰকাৰ অৱতাৰৰ কাৰ্য্য-ক্ষেত্ৰ নাছিল।

ৰামমোহন নিজেও পৌৰাণিক শিক্ষাৰ সাধনাত সিজা লোক নাছিল। তেওঁ জ্ঞানমাৰ্গ প্ৰচাৰব্ৰতী, ভক্তিমাৰ্গ-প্ৰধান পুৰাণৰ শিক্ষাই তেওঁৰ মন অধিকাৰ কৰা নাছিল; বৰং সেই কালৰ পৌৰাণিক ধৰ্ম্মপথানুগামী সৰ্ব্ব-

সাধাৰণ লোকৰ অন্ধ আৰু অৰ্থহীন আচাৰ প্ৰণালীয়ে পৌৰাণিকধৰ্ম্মমাৰ্গৰ ওপৰত তেওঁৰ বিৰক্তিহে জন্মাই দিছিল। মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰে ৰামমোহন প্ৰচাৰিত ধৰ্ম্মৰ ওপৰত উপনিষদৰ শিক্ষাৰ শীতল জল সিঁচি তাক আৰু সজীৱ আৰু সতেজ কৰি তুলিলে যদিও, তেৰোঁ পুৰাণ প্ৰচাৰিত শিক্ষাক সমাদৰ কৰা নাছিল।

হিন্দুধৰ্ম্মৰ পুনৰুত্থানৰ প্ৰথম যুগৰ প্ৰবৰ্ত্তক যে ৰামমোহন ৰায়, তাত সন্দেহ নাই। তেওঁৰ প্ৰচাৰিত ব্ৰাহ্মধৰ্ম্ম পৰিমাৰ্জ্জিত সনাতন বৈদিক হিন্দুধৰ্ম্ম। তেওঁ কৃষ্ণক বাদ দি ব্ৰাহ্মধৰ্ম্ম অৰ্থাৎ একেশ্বৰবাদ বৈদিক হিন্দুধৰ্ম্ম প্ৰচাৰ কৰিলে। তেওঁৰ চেষ্টা—সম্পূৰ্ণৰূপে কৃষ্ণবৰ্জ্জন। ১৮২১ খৃষ্টাব্দত তেওঁ "গোস্বামীদিগের সহিত বিচাৰ" নাম দি, এখন পুস্তিকা লেখি বুজাবৰ চেষ্টা কৰিলে যে, কৃষ্ণপূজা, কৃষ্ণত ঈশ্বৰত্ব প্ৰয়োগ—degraded form of Hinduism অৰ্থাৎ হিন্দুধৰ্ম্মৰ অধোগতিপ্ৰাপ্ত অৱস্থা। লৱণু চুৰ কৰা, গোপীসকলৰ বস্ত্ৰহৰণ কৰা, ৰাসলীলা কৰা কৃষ্ণ নো আকৌ কেনে কৃষ্ণ? এনে কৃষ্ণত ঈশ্বৰত্ব অৰ্পিত কেতিয়াও হব নোৱাৰে; বিশেষকৈ, ঈশ্বৰৰ নৰৰূপী অৱতাৰ কল্পনা মনুষ্যৰ ভ্ৰান্তি মাথোন। ৰামমোহন ৰায়ে তেওঁৰ মত থিৰ কৰিবৰ মনেৰে দুবিধ যুক্তি অৱলম্বন কৰিছিল; প্ৰথমটো অদ্বৈত-বাদী বৈদান্তিকৰ, দ্বিতীয়টো সাম্প্ৰদায়িক অৰ্থাৎ কৃষ্ণলীলা-বিগ্ৰহবাদী বৈষ্ণৱ সকলৰ বিৰুদ্ধে, উৎকট শাক্ত শৈৱ আদি সম্প্ৰদায়ৰ মানুহে প্ৰয়োগ কৰা সাম্প্ৰদায়িক ভাবৰ বিষেৰে বিষাক্ত যুক্তি। কোৱা বাহুল্য যে, এই যুক্তি এই মত, কৃষ্ণলীলাৰ তাৎপৰ্য্য বুজাৰপৰা বা বুজিবৰ শক্তিৰ অভাৱৰপৰা, নাইবা বুজিব নোখোজা ভাবৰপৰা উদ্ভূত।

দ্বিতীয় যুগৰ প্ৰবৰ্ত্তক, সুপ্ৰসিদ্ধ বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়। বঙ্কিম বাবুৱে বঢ়িয়াকৈ দেখিলে যে হিন্দুৰ তেজ মাংসৰপৰা কৃষ্ণক বহিভূ্ৰ্ত কৰাটো একেবাৰেই অসম্ভৱ; কৃষ্ণবৰ্জ্জন চেষ্টা বিফল প্ৰয়াস, পণ্ডশ্ৰম; কৃষ্ণক সেইদেখি ধুই পখালি চাফ-চিকুণ কৰি, বৰ্ত্তমান কালৰ সভ্য-ভব্যসকলে সমাদৰ কৰিব পৰাকৈ সভ্য-ভব্য কৰি লব লাগিব। তেওঁ ভাবি-চিন্তি থিৰ কৰি সিদ্ধান্ত কৰিলে যে, মহাভাৰতৰ কৃষ্ণই হে প্ৰকৃত কৃষ্ণ; ৰাসলীলা কৰোঁতা কৃষ্ণ, গোপিনীৰ ঘৰে ঘৰে লৱণু চুৰ কৰি খাই ফুৰা কৃষ্ণ প্ৰকৃত কৃষ্ণ নহয়; এই কৃষ্ণ জাল কৃষ্ণ; কৃষ্ণৰ গাত এইবোৰ কীৰ্ত্তি লগাই দিলে পিছৰ কালৰ অধোগতি প্ৰাপ্ত হিন্দু কবিসকলে। যত যত কৃষ্ণৰ এইবোৰ কথা লেখা আছে, সেইবোৰ কবিৰ কল্পনা আৰু প্ৰক্ষিপ্ত ৰচনা।

বঙ্কিম বাবুৰ এই মতৰ বিষয়ে, পৰমহংস ৰামকৃষ্ণ দেৱৰ একাষাৰ কথা মাথোন এই খিনিতে তুলি দিলেই যথেষ্ট হব। পৰমহংস দেৱক তেওঁৰ এজন ভক্তই এদিন কৈছিল, "মহাশয়, অমুক বাবু শ্ৰীকৃষ্ণ বিষয়ক একখানা বহি লিখিয়াছেন, কিন্তু তিনি বৃন্দাবনলীলা মানেন না।" পৰমহংস দেৱে উত্তৰ দিলে—"লেকচাৰ, সন্ধি বিগ্ৰহ, ৰাজ্যশাসন, এসব তো মানুষে পাৰে। শ্ৰীকৃষ্ণেৰ ঈশ্বৰত্ব বৃন্দাবন লীলায়। বৃন্দাবন লীলা বাদ দিলে তাঁৰ ঈশ্বৰত্ব থাকে কই?"



আমি ওপৰত উল্লেখকিয়াই আহিছোঁ, যে ৰামমোহন ৰায় খাইকৈ অদ্বৈত-বাদী বৈদান্তিক আছিল। তেওঁ বেদান্ত আৰু মহানিৰ্ব্বাণ-তন্ত্ৰৰ ভেটিত তেওঁৰ প্ৰচাৰিত ব্ৰাহ্মধৰ্ম্মৰ অট্টালিকা নিৰ্ম্মাণ কৰিলে। মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰে ৰামমোহনৰ ধাৰাকে ৰাখি, উপনিষদৰ শিক্ষা আৰু তত্বজ্ঞানেৰে তাক বিভূষিত কৰিলে। ব্ৰহ্মানন্দ কেশৱচন্দ্ৰ সেনে তাত ভাব আৰু ভক্তি ঢালি তাক সতেজ কৰিলে। কেশৱচন্দ্ৰ, খৃষ্টান বাইবেল আৰু খৃষ্টধৰ্ম্ম সম্পৰ্কীয় কিতাপত সুপণ্ডিত আছিল। তেওঁ বাইবেলৰপৰা ভক্তিবাদ, অনুতাপ, আৰু Personal God অৰ্থাৎ যীশুখৃষ্টৰ নিচিনাকৈ ঈশ্বৰৰ ব্যক্তিত্বৰ ভাব ব্ৰাহ্মধৰ্ম্মত প্ৰবেশ কৰালে। এই ভক্তিবাদ আৰু Personal God-অৰ idea ধাৰণা প্ৰকৃতপক্ষে ব্ৰাহ্মসমাজলৈ আৰু অপৰোক্ষভাৱে ইংৰাজী শিক্ষিত হিন্দুসমাজলৈ কৃষ্ণৰ পুনৰাগমনৰ পাতনি মাথোন। কেশৱচন্দ্ৰই আদিব্ৰাহ্মসমাজত কিছু কাল থাকি, তাৰপৰা ওলাই গৈ নতুনকৈ "নববিধান" নাম দি, নিজৰ মনৰ মতেৰে ব্ৰাহ্মসমাজ পাতিলে। কিছুকালৰ পিছত তেওঁ, শুকান "ব্ৰাহ্ম উপাসনা আৰ ভাল লাগিতেছে না" বুলি, তেওঁৰ প্ৰতিষ্ঠিত "নব-বিধান" ব্ৰাহ্মসমাজত খোল-তালেৰে সঙ্কীৰ্ত্তন কৰা প্ৰথা সুমালে। এই কাৰ্য্যত, নদীয়া-শান্তিপুৰৰ পৰম বৈষ্ণৱ অদ্বৈতাচাৰ্য্যৰ বংশধৰ মহাত্মা বিজয়কৃষ্ণ গোস্বামী তেওঁৰ প্ৰধান সহায়ক হল। বিজয়কৃষ্ণ গোস্বামী যদিও ব্ৰাহ্মবো ব্ৰাহ্ম আও ব্ৰাহ্ম আছিল, তথাপি তেওঁৰ তেজ মঙহৰ ভিতৰত পুৰুষানুক্ৰমে থকা বৈষ্ণৱৰ বীজ যথাসময়ত অঙ্কুৰিত হৈ উঠিল। ফলত, বঙ্গদেশৰ ব্ৰাহ্ম-সমাজত বৈষ্ণৱধৰ্ম্মৰ আচল বস্তু হৰিসঙ্কীৰ্ত্তনৰ পুনৰাভ্যুদয় হল। আজিও ব্ৰাহ্ম সমাজৰ বাহিৰত থকা হেজাৰ হেজাৰ কলেজৰ সুশিক্ষিত ডেকাই কলিকতা মহানগৰীৰ ৰাজআলি নগৰ-সঙ্কীৰ্ত্তনৰ ৰোলেৰে হেন্দোলদোপ্ লগোৱাটো সততে দেখিবলৈ পোৱা ঘটনা। এই সঙ্কীৰ্ত্তনৰ ৰোল, এই হৰিধ্বনি, পাশ্চাত্য শিক্ষাত শিক্ষিত হিন্দুসকলৰ মাজলৈ পূৰ্ণপয়োভৰেৰে কৃষ্ণৰ পুনৰাগমন বাৰ্ত্তাৰ ধৰগীত নহয় নে?

আজিকালিৰ বঙ্গদেশৰ সাহিত্য, কবিতা আদি কৃষ্ণলীলাৰ সুমধুৰ ধ্বনিৰে মুখৰিত। আন নেলাগে, অলপ মন দি চালেই দেখি, বঙ্গৰ বৰ্ত্তমান শ্ৰেষ্ঠকবি আদিব্ৰাহ্মসমাজৰ নেতা পূজনীয় ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতা বৃন্দাবনলীলাৰ লহৰী, যমুনাৰ কুল্ কুল্ নাদ, আৰু গোপীসকলৰ বলয়-কঙ্কনৰ নিক্কনেৰে নিনাদিত। ৰবীন্দ্ৰনাথৰ "ভানুসিংহ" নামেৰে বিৰচিত, প্ৰথম বয়সৰ কবিতাৰ প্ৰথম অভিষেক বৃন্দাবনপ্ৰবাহিণী যমুনাৰ জলেৰে সম্পাদিত হৈছিল বুলিব

নোৱাৰি জানো? বঙ্গদেশৰ বৰ্ত্তমান শিক্ষিত সমাজৰ মাজলৈ কৃষ্ণ অহাৰ বাতৰি এই যুগৰ বঙ্গসাহিত্যেই উচ্চৈস্বৰে দিব লাগিছে। সেইদেখি আমি আজি এই বুলি নাম লগাই দিব পাৰোঁ:—

"এই সমাজৰ মাজে
কৃষ্ণ আসিয়া যাছে।"

ৰামমোহন ৰায়ৰ যুগৰ কৃষ্ণবৰ্জ্জন চেষ্টাৰূপী ঘাতৰ এইবোৰ প্ৰবল প্ৰতিঘাত। বাস্তবিকতে আমি যিমানকে সুশিক্ষিত বা কুশিক্ষিত হওঁহঁক, যিমানকে উচ্চ শিক্ষাৰ মিছা অভিমান কৰোঁহঁক, আমি আমাৰ প্ৰাণ-বন্ধু কৃষ্ণক কেতিয়াও কেতিয়াও বৰ্জ্জন কৰিব নোৱাৰোঁ। কৃষ্ণক হেৰুৱাই আমি জীয়াই থাকিব নোৱাৰোঁ, আমি কান্দি কান্দি গাম:—

"কাহা গৈলা মোৰ গোপাল স্বামী।
কৃষ্ণ বিনে জীওঁ কি মতে আমি॥" শঙ্কৰদেৱ।

কৃষ্ণ যে আমাৰ প্ৰাণ, কৃষ্ণ যে আমাৰ ধ্যান, কৃষ্ণ যে আমাৰ আত্মাৰ আত্মা পৰমাত্মা, কৃষ্ণ যে আমাৰ সৰ্ব্বহতো সৰ্ব্বহ, জীৱৰ জীৱন। প্ৰাণবন্ধু বনমালী কৃষ্ণক যে আমি নিজৰ দোষত হাতৰ পৰা হেৰুৱাই, শোকত দগ্ধ হৈ, আঁচলেৰে চকু লো মচি, বিয়াকুল হৈ বিচাৰি ফুৰিছোঁ:—

৫৩৩৮/অ:

"বনমালী ৰাম মোৰ প্ৰাণ গৈল কোন স্থান।
জীৱৰ জীৱন কৃষ্ণ বিনে নাহি আন॥" শঙ্কৰদেৱ।

আমাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱ আৰু তেওঁলোকৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত মহাভক্ত বৈষ্ণৱসকলৰ পৰম কৃপাত আমাৰ আসামত কৃষ্ণনাম, কৃষ্ণগান, কৃষ্ণত ৰতি, কৃষ্ণত ভকতি, অসমীয়াৰ পক্ষে সুলভ, অতি সুলভ। এতেকে শঙ্কৰ, মাধৱ, দামোদৰ, হৰিদেৱৰ দেশৰ অসমীয়া ভাই! আহাঁ, সকলোটি চাপি-কুচি আহাঁ, আমি কৃষ্ণত আত্মসমৰ্পণ কৰি, কৃষ্ণৰ কীৰ্ত্তন কৰি এই মহাগুৰুসকলৰ চৰণত আমাৰ মাথা দোৱাই, কৃষ্ণনামামৃত পান কৰি নিজৰ জীৱন সাৰ্থক কৰোঁহঁক:—

"পিও পিও কৃষ্ণনাম অমৃত।
বৃথা কথা কহি নমৰ চিত॥" শঙ্কৰদেৱ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

সকলোৰে
বি
কুন্তলবৃষ্য তৈল—
কুন্তলবৃষ্য তৈলে-
কুন্তলবৃষ্য তৈলে-
কুন্তলবৃষ্য তৈল—
কুন্তলবৃষ্য তৈল—
বেচ—প্ৰ
ডজনত ৯
কিয় মিছা
মনে জানিয়েই ক
শ্ৰেষ্ঠ মহৌষধ;
পাবে। কুইনা
জ্বৰ নিৰ্দ্দোষ কৰি
নৱজীৱন পাইছে
বিনামূল্যে!
মফস্বলৰ ৰোগীসব
লেখি পাঠিয়ালে।
ব্যৱস্থাপক কবিৰ
শ্ৰীপুলিনকৃষ্ণ
কবিভূষণ।

ত অব্যৰ্থ

ৰা
পৰ
ৰ,
াব



কিয়
ামল
টো

। তিনি চিচি ২।০
কা, মাচুলাদি সুকিয়া।

রু কিন্ত?

বাতিয়েই ভাবি যোগৰ
পকোঁতে আক ভাবিব
ৰ সংক্ৰামক কিন্ত
তবল্লী কষায় নামৰ
বৰ, অব্যৰ্থ মহৌষধ।
খাই ভাল গোৱাটো
সকলো খা, মানসিক

৵০ এখাৰ অনা।
অনা।
প্লোমাপ্ৰাপ্ত
আয়ুৰ্ব্বেদীয় ঔষধালয়
ৰোড, কলিকাতা।

## জাননী

বাঁহীৰ বেঁচ আগেয়ে দিব লাগিব, তেহে আমি গ্ৰাহকলৈ বাঁহী পঠিয়াম। ৯ম বছৰৰ ২য় সংখ্যা পুৰণি গ্ৰাহক সকলোলৈকে পঠিয়ালোঁ; তৃতীয় সংখ্যা ওলোৱাৰ আগেয়েই তেওঁলোকৰপৰা বেচ পালেহে তৃতীয় সংখ্যা পঠিয়াম, নতুবা আৰু নপঠিয়াওঁ। অৱশ্যে আমাৰ বিশেষকৈ চিনাকীসকলৰ কথা সুকীয়া।

বাঁহী চলাওঁতা।

c/o L. N. Bezbaroa, Sambalpur. B. N. R.

৫৩৫৯/আঃ
১৫.৮.৭৯

নবম বছৰ, ২য় সংখ্যা } ১৯১৮ মে { জেঠ, ১৮৪০

# বাঁহী

মাহেকীয়া কাকত।

"নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে।"—গীতা।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত।

বছৰি বেচ ২৲ মাথোন। ] [ এখনৰ বেচ ।০।

সূচী।

| | | | | | |
|---|---|---|---|---|---|
| ১। | সম্পাদকৰ চৰা | ৩৩ | ৫। | পূণ্য কথা | [illegible] |
| ২। | শ্ৰীকৃষ্ণ কথা | ৩৫ | ৬। | স্বাস্থ্য প্ৰসঙ্গ | ৬২ |
| ৩। | বৰ বৰুৱাৰ চিঠি | ৩৯ | ৭। | পোৱা কিতাপৰ বিষয়ে | ৬৪ |
| ৪। | জিমু আৰু ডালিমী | ৪৫ | | | |

# পাইরেক্স।

বা

## ম্যালেরিয়া মিক্‌শ্চার।

ম্যালেবিয়া জ্বৰব নবাবিষ্কৃত উৎকৃষ্ট ঔষধ।

কুইনাইন যে ম্যালেরিয়া বিষ নষ্ট করিবলৈ অদ্বিতীয় এই সম্বন্ধে আলিকালি মতভেদ নাই বুলিলেও চলে। আমিও কুইনাইনর সৈত লৌহ, আরসেনিক্ প্রভৃতির সংমিশ্রণ বিশেষ প্রক্রিয়াদ্বারাই পাইরেক্স প্রস্তুত করিছোঁ। ইয়াত রক্তপরিষ্কারক প্লীহা আরু যকৃৎ নাশক, ক্ষুধামান্দ্য ও দুর্ব্বলতা-নাশক ঔষধ মিশ্রিত থকার নিমিত্তে বিশেষ ফলপ্রদ। পুরাতন জ্বর বিষমজ্বর, দ্বৌকালিন জ্বর ইত্যাদি সর্ব্ববিধ জ্বরত "পাইরেক্স" অমোঘ ঔষধ। পরীক্ষা প্রার্থনীয়।

সর্ব্বসাধাবণব সুবিধার নিমিত্তে ৪ আঃ ১৬ মাত্রা ঔষধ মাত্র ॥৶০ দশ অনাত দিছোঁ।

বেঙ্গল কেমিক্যাল এণ্ড ফার্ম্মাসিউটিকাল ওয়ার্কস লিমিটেড কলিকাতা



Printed by N. K. Basak,
at Wilkins Press, 121, Lower Circular Road, Calcutta,
& Published by
L. N. Bezbaroa, from 22, Rosemary Lane, HOWRAH.